Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MAY 5, 2025 ■ সোমবাৰ, ২১ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২৭ Guwahati, Assam ।। মূল্যঃ এটকা


গুৱাহাটীত কংগ্ৰেছৰ বিশেষ সভাৰ মুহূৰ্ত

## পুনৰ ৫ জিলাত পঞ্চায়তৰ ভোটগ্ৰহণ

ই-সংবাদ বিশেষ, ৪ মে': খুঁত নোহোৱাকৈ সাধাৰণ পঞ্চায়ত নিৰ্বাচন এটাও সফলভাৱে ৫ পৃষ্ঠাত

## কংগ্ৰেছ-ইউডিএফৰ ভেটিত অখিলৰ টাৰ্গেট! বিজেপিক বাদ

ই-সংবাদ, ৪ মে': ২০২৪ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত একত্ৰিত বিৰোধীয়ে বিহালী সমষ্টি চিপিআইএমএলক এৰি নিদিয়াত কংগ্ৰেছৰ ২ পৃষ্ঠাত

## শ্ৰীভূমিত কৰ্মৰত মহিলা আৰক্ষীৰ মৃতদেহ উদ্ধাৰ



শ্ৰীভূমিৰ পৰা ছিদ্দেক আহমেদ মজুমদাৰ, ৪ মে': বৰাক ৩ নং পৃষ্ঠাত

### গৌৰৱ সন্দেহৰ উৰ্দ্ধৰ ব্যক্তি নহয়!

## কংগ্ৰেছৰ অধ্যক্ষক অভিযোগ দিব মুখ্যমন্ত্ৰীয়ে




ই-সংবাদ, গুৱাহাটী, ৪ মে': পূৰ্বৰ পশ্চিম গুৱাহাটী তথা সমষ্টি পুনৰ গঠনৰ পিছত জালুকবাৰী সমষ্টিত অন্তৰ্ভুক্ত হোৱা মাজিৰগাঁও গাঁও পঞ্চায়তত আজি ৫ পৃষ্ঠাত

### থানালৈ মাতি নি গাত সানি দিলে ভোট-জলকীয়া

# বৰডুমচাত যুৱকক বৰ্বৰ অত্যাচাৰ আৰক্ষীৰ

### 'কাণ্ড' কৰি নিলম্বিত হ'ল ২ বিষয়া



ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৪ মে': ২০১৮ চনৰ আজিৰ দিনটোতেই আলফাবিৰোধী অভিযানত নিহত হৈছিল বৰডুমচা থানাৰ ভাৰপ্ৰাপ্ত ১৪ পৃষ্ঠাত


দক্ষিণ কামৰূপৰ ছমৰীয়াত ভূপেন বৰাৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

## আকৌ ৯০০ কোটিৰ ঋণ ল'ব হিমন্ত চৰকাৰে!

ই-সংবাদ, ৪ মে': ৰাজহুৱা বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগ বন্ধ হোৱাৰ ফলত চৰকাৰৰ নিজস্ব উপাৰ্জন বন্ধ হৈ পৰাত শেষাংশ ৩ পৃষ্ঠাত

## হিন্দু ধৰ্মৰ পৰা বহিষ্কাৰ ৰাহুলক

হৰিদ্বাৰ, ৪ মে': মনুস্মৃতি সন্দৰ্ভত সংসদত কৰা বিতৰ্কিত মন্তব্যক লৈ হিন্দু ধৰ্মৰ পৰা বহিষ্কাৰ কৰা হ'ল ১৪ নং পৃষ্ঠাত

### মোৰঝাৰত লুৰীণৰ প্ৰচাৰ সভা

## অসমত জংঘলৰাজ চলাইছে বিজেপিয়ে



ই-সংবাদ, মোৰাঝাৰ, ৪ মে': মোৰাঝাৰ জিলা পৰিষদ আৰু বুৰুঙাতলি আঞ্চলিক পঞ্চায়তত আমাৰ দলৰ প্ৰাৰ্থীক জিকাই দিয়ক ২ পৃষ্ঠাত



## চিত্ৰশিল্পী অমূল্য বৰুৱাৰ বিয়োগ

ই-সংবাদ, ৪ মে': ব'হাগ মাহতে লণ্ডনৰ পৰা অসমীয়াৰ বাবে আজি আহিছে এটা দুখৰ খবৰ। বিশ্বজুৰি খ্যাতি অৰ্জন ৪ পৃষ্ঠাত

## আইআইটি, ছেমি কণ্ডাক্টৰ পৰিদৰ্শন জাপানী প্ৰতিনিধিৰ



### বিনিয়োগৰ সম্ভাৱনা

ই-সংবাদ, গুৱাহাটী-জাগীৰোড, ৪ মে': তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি অসমত উপস্থিত হোৱা জাপানৰ সংসদ হাউছ অৱ্ ৰিপ্ৰেজেণ্টেটিভৰ ৪ পৃষ্ঠাত চাওক


## নিৰ্বাচনকেন্দ্ৰিক হিংসা! শূন্যলৈ গুলী দুলুৰ পিএছঅ'ৰ

### হাজোত তৃণমূলৰ ৰেলীত উত্তেজনা

ই-সংবাদ, হাজো, ৪ মে': দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী। প্ৰতিটো ৰাজনৈতিক দলে তীব্ৰতৰ কৰি তুলিছে নিজৰ নিজৰ নিৰ্বাচনী ৩ পৃষ্ঠাত চাওক

### নৌ, বায়ুসেনাৰ মুৰব্বীৰে প্ৰধানমন্ত্ৰীৰ বৈঠক

## যুদ্ধ উত্তেজনা! বাতিল অস্ত্ৰ কাৰখানাৰ কৰ্মচাৰীৰ ছুটী



নতুন দিল্লী, ৪ মে': ১২ দিন অতিক্ৰম কৰিলে পেহেলগামৰ নৃশংস আক্ৰমণে! কিন্তু আজিও মুকলি আকাশৰ শেষাংশ ৫ পৃষ্ঠাত

## 'অপ্ৰাসংগিক' শুকুৰৰ মন্তব্যত উত্তাল অসম

ই-সংবাদ, ৪ মে': বিজেপিৰ ষ্টাৰ প্ৰচাৰক অসমৰ ৰাজনীতিৰ বহুৱা। বিকৃত মস্তিষ্কৰ শুকুৰ আলীৰ এক মন্তব্যই ৰাজ্যৰ ৰাজনীতি গৰম কৰি তুলিছে। শেষাংশ ৭ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ-ইউডিএফৰ ভেটিত অখিলৰ

বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰিছিল বিৰোধী দলসমূহে। বিশেষকৈ কংগ্ৰেছ দলক অহৰহ সমালোচনা কৰি গৈছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বিহালী সমষ্টি এৰি নিদিয়াৰ অচিলাৰে অখিল গগৈয়ে বিজেপিৰ পৰিৱৰ্তে কংগ্ৰেছক গুৱাল গালি পাৰি অহা পৰিলক্ষিত হৈছে। মাইনৰিটি বেল্টত কংগ্ৰেছৰ ক্ষতি কৰিবলৈ অখিল গগৈয়ে ব্যাপক সভা-সমিতি পাতি গৈছে। উত্তৰ অসম, মধ্য অসম আৰু নামনি অসমত বিজেপিক লাভান্বিত কৰিবলৈ মাইনৰিটি বেল্টত প্ৰচাৰ চলোৱাত বিভিন্নজনে অখিল গগৈক সন্দেহৰ চকুৰে চাইছে। বিজেপিক সহায় কৰিবলৈ নামনিত মাইনৰিটি ভোট বিভাজিত কৰি ২০২৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ সমানে সমানে প্ৰাৰ্থী থিয় কৰাবলৈ ব্লুপ্ৰিণ্ট ৰচাৰ অভিযোগৰ মাজতে পঞ্চায়ত নিৰ্বাচনত কেৱল মাইনৰিটি বেল্টত তীব্ৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে অখিল গগৈয়ে। বিজেপিৰ দখলত থকা সমষ্টিসমূহত অখিল গগৈয়ে সভা-সমিতি কৰাৰ পৰিৱৰ্তে কংগ্ৰেছ আৰু এআইইউডিএফৰ দখলত থকা সমষ্টিত তীব্ৰ প্ৰচাৰ চলাই গৈছে। অখিল গগৈয়ে গোপনে নামনি অসমত কংগ্ৰেছৰ ক্ষতি কৰিবলৈ জাল পেলোৱা বুলি অভিযোগৰ মাজতে অখিল গগৈয়ে কংগ্ৰেছৰ দখলত থকা সমষ্টি কেইটাত প্ৰচাৰ চলাই থকা পৰিলক্ষিত হৈছে। গগৈয়ে উজনি, নামনি, মধ্য-উত্তৰ আৰু বৰাকৰ যিসমূহ সমষ্টিত সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে সেইসমূহ সমষ্টিত দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ উঠিপৰি লাগিছে। ইতিমধ্যে নামনি অসম, উত্তৰ আৰু মধ্য অসমৰ সংখ্যালঘু অধ্যুষিত সমষ্টিসমূহত নিতৌ সভা-সমিতি কৰি কংগ্ৰেছক শ'লঠেকত পেলাবলৈ মাষ্টাৰ প্লেন কৰিছে। মুখ্যতঃ অৰ্পিত ৰাইজৰ দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰি ২০২৬ চন নিৰ্বাচনৰ অংক কৰা দেখা গৈছে। অখিল গগৈয়ে অসমৰ যিসমূহ সমষ্টিত বেছি তৎপৰ হৈছে সেই আটাইকেইটা সমষ্টি সংখ্যালঘু ভোটাৰৰ নিৰ্ণায়ক ভোট আছে। নামনি অসমৰ দৰেই এইবাৰ বৰাক উপত্যকাৰ সংখ্যালঘু এলেকাত ব্যস্ত দেখা গৈছে। শেহতীয়াকৈ পঞ্চায়ত নিৰ্বাচনৰ বাবে বৰাক উপত্যকা আৰু মধ্য অসমত প্ৰচাৰ চলাই আহিছে। অখিল গগৈয়ে এনেদৰেই এতিয়া সংখ্যালঘু ভোটাৰৰ মাজত সোমাই ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। কিন্তু অসমীয়া হিন্দু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা তথা বিজেপিৰ দখলত থকা কোনো সমষ্টিত এনে তৎপৰতা প্ৰদৰ্শন কৰা নাই। পদ্ম হাজৰিকাৰ চতীয়া সমষ্টি, মৃণাল শইকীয়াৰ খুমটাই, হিমন্ত বিশ্ব শৰ্মাৰ জালুকবাৰী, সুমন হৰিপ্ৰিয়াৰ হাজো, দিগন্ত কলিতাৰ কমলপুৰ, ভবেশ কলিতাৰ ৰঙিয়া, চন্দ্ৰমোহন পাটোৱাৰীৰ ধৰ্মপুৰ, জিতু গোস্বামীৰ বড়মপুৰ, ৰূপক শৰ্মাৰ নগাঁও, পীযুষ হাজৰিকাৰ জাগীৰোড, জয়ন্তমল্ল বৰুৱাৰ নলবাৰী, সুশান্ত বৰগোহাঁইৰ থাওৰা, বিজয় মালাকৰৰ ৰাটাবাৰী, কৃষ্ণেন্দু পালৰ পাথাৰকান্দি, দ্বিপায়ন চক্ৰৱৰ্তীৰ শিলচৰ, মিহিৰকান্তি চোম উদাৰবন্দ, কৌশিক ৰায়ৰ লক্ষীপুৰ, অজয় কুমাৰ ৰায়ৰ বিজনী, ফণীভূষণ চৌধুৰীৰ পত্নীৰ সমষ্টি বঙাইগাঁও, ৰণজিৎ কুমাৰ দাসৰ পাটাছাৰকুছি, অতুল বৰাৰ গোলাঘাট, অতুল বৰাৰ দিছপুৰ, পৰমানন্দ ৰাজবংশীৰ ছিপাঝাৰ, প্ৰমোদ বৰঠাকুৰৰ বিশ্বনাথ, সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ গুৱাহাটী ইষ্ট, ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ গুৱাহাটী ৱেষ্ট, মানৱ ডেকাৰ লখিমপুৰ, নব কুমাৰ দলৈৰ ঢকুৱাখানা, ৰণোজ পেগুৰ ধেমাজি, ভুবন পেগুৰ জোনাই, চক্ৰধৰ গগৈৰ মৰাণ, প্ৰশান্ত ফুকনৰ ডিব্ৰুগড়, বিনোদ হাজৰিকাৰ লাহোৱাল, তেৰছ গোৱালাৰ দুলীয়াজান, বিমল বৰাৰ টিংখাং, তৰংগ গগৈৰ নাহৰকটীয়া, পোনাকণ বৰুৱাৰ চাবুৱা, সঞ্জয় কিষাণৰ তিনিচুকীয়া, সুৰেন ফুকনৰ ডিগবৈ, ভাস্কৰ শৰ্মাৰ মাৰ্ঘেৰিটা, ৰূপেশ গোৱালাৰ ডুমডুমা, বলীন চেতিয়াৰ শদিয়া সমষ্টিত অখিল গগৈয়ে কোনো ধৰণৰ তপৰতা প্ৰদৰ্শন কৰা নাই। ইয়াৰ অন্তৰালত কি ৰহস্য সোমাই আছে সেয়া সাঁথৰ। অখিল গগৈয়ে সংখ্যলঘু অধ্যুষিত আৰু কংগ্ৰেছ আৰু এআইইউডিএফৰ দখলত থকা সমষ্টিত ভোট বিভাজন কৰি বিজেপিক সহায় কৰিব খুজিছে নেকি বুলি ইতিমধ্যে অভিযোগ উঠি আহিছে। কালি নিশালৈকে গোৱালপাৰাত ৮ খন সভা অনুষ্ঠিত কৰি হাজাৰ হাজাৰ সংখ্যালঘু লোকৰ সন্মুখত ভাষণ প্ৰদান কৰে। আজি অখিল গগৈয়ে ধুবুৰীত সন্ধিয়ালৈকে পঞ্চমখন সভাত ভাষণ প্ৰদান কৰে। আজি ধুবুৰীত মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ বিৰুদ্ধে অনা পাকিস্তান ভ্ৰমণক লৈ অখিল গগৈয়ে মন্তব্য প্ৰদান কৰি হিমন্ত বিশ্ব শৰ্মাৰ সুৰতে সুৰ মিলাই কয় যে গৌৰৱ গগৈয়ে যদি পাকিস্তানক ভাৰতৰ গোপন তথ্য সৰবৰাহ কৰিছে, তেন্তে যাৱজ্জীৱন জে'ল দিব লাগে। মোৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী-বিজেপি চৰকাৰে এনএছএ লগাই কিটো কৰিব পাৰিলে বুলি প্ৰশ্ন কৰি গগৈয়ে আৰু কয় যে গৌৰৱ গগৈ যদি ভাৰতৰ কোনো গোপন তথ্য পাকিস্তানক যোগান ধৰা নাই তেন্তে গৌৰৱ গগৈ ভিছা লৈ পাকিস্তানলৈ যোৱাত কোনো অপৰাধ হ'ব নোৱাৰে। কিয়নো মোদীয়েও পাকিস্তানত গৈ বিৰিয়ানি খাই আহিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মতাক মাইকী আৰু মাইকীক মতা বনোৱা দুই নম্বৰী মানুহ। বিজেপিক ওফৰাবলৈ হ'লে ৰাইজৰ দল আৰু কংগ্ৰেছ একলগ হ'ব লাগিব। নামনি অসমত সংখ্যালঘু ৰাইজে ২০২৬ ত কংগ্ৰেছক ভোট দিয়ে তেতিয়াহে কংগ্ৰেছে বিজেপিক হৰুৱাব পাৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অসম জংঘলৰাজ চলাইছে বিজেপিয়ে'

২০২৬ চনত আমি আপোনালোকক আমাৰ দলৰ বিধায়ক উপহাৰ দিম। বিন্নাকান্দি সমষ্টিৰ মোৰাঝাৰত ৰাইজক আহ্বান লুৰীনজ্যোতি গগৈৰ। বাঙালীসকলৰ প্ৰধান শত্ৰু হৈছে বিজেপি, বিজেপিয়ে ১৯৭১ চনৰ আগৰ হিন্দু বাঙালীসকলকো সন্দেহৰ আৱৰ্তলৈ ঠেলি দিছে। ভাৰতীয় নাগৰিক বাঙালীসকলো অসমীয়া জাতীয় জীৱনৰ অংগ। এইদৰে নিৰ্বাচনী সভাত আন কেতবোৰ মন্তব্য কৰে অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। আঁচনিসমূহ কোনোবা মন্ত্ৰীৰ বাপেকৰ, মাকৰ সম্পত্তিৰ পইচাৰ পৰা দিছে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। এইবোৰ আমাৰ কৰ-কাটলৰ পইচা, আমাক দিব লাগিব। যি দলৰ নহওক কিয় ? লগতে লুৰীণজ্যোতি গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়, গৌৰৱ গগৈৰ জনপ্ৰিয়তা দেখি অসমৰ মুখ্যমন্ত্ৰীয়ে ভয় খাই গৌৰৱ গগৈৰ বিৰুদ্ধে অপপ্ৰচাৰত নামি পৰিছে। অসমৰ মানুহক বিভ্ৰান্ত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে মিছাৰ আশ্ৰয় লৈছে। বিজেপিয়ে সাম্প্ৰদায়িক ৰাজনীতি কৰে। বিজেপিয়ে অসমৰ জনগণক ৰামঠগনৰ ৰাজনীতি কৰে। ধৰ্মীয় সংখ্যালঘু ৰাইজক বিজেপিয়ে ভয়-ভাবুকি দেখুৱাই আহিছে। আজি দিনৰ তিনি বজাত মোৰাঝাৰত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ সভা আৰু ৰেলীত ভাগ লৈ এইদৰে কেতবোৰ মন্তব্য কৰে অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। লগতে কয় যে মুখ্যমন্ত্ৰীয়ে অসমত জংঘলৰাজ চলাইছে। বিন্নাকান্দি বিধানসভা সমষ্টিৰ মোৰাঝাৰ জিলা পৰিষদ এলেকাত নিৰ্বাচনী প্ৰচাৰ চলায় লুৰীনজ্যোতি গগৈয়ে। গগৈ উপস্থিত হৈ মোৰাঝাৰ জিলা পৰিষদৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী খালিদা বেগম আৰু বুৰুংগাতলি পঞ্চায়তৰ আঞ্চলিক সদস্যা পদৰ প্ৰাৰ্থী ৰুমানা বেগমৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এক বিশাল ৰেলী কৰি গৈ গগৈয়ে দেৱস্থান শিৱ মন্দিৰলৈ গৈ সেৱা জনায়। লগতে মোৰাঝাৰৰ কপাহবাৰী, বুৰুঙাতলি, মোৰাঝাৰ, দেৱস্থান, নিগম, আমবাৰী আদি পঞ্চায়তৰ মাজেদি এক বৃহৎ ৰেলীত অংশ গ্ৰহণ কৰাৰ লগতে মোৰাঝাৰ বজাৰত এখন ৰাজহুৱা সভাত ভাগ লয়। সহস্ৰাধিক লোকৰ উপস্থিতিত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি নিজৰ দলীয় প্ৰাৰ্থীক ভোট দিয়াৰ আহ্বান জনায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্ৰীভূমিত কৰ্মৰত মহিলা আৰক্ষীৰ মৃতদেহ

উপত্যকাত এগৰাকী মহিলা আৰক্ষী কনিষ্টবলৰ মৃতদেহ সন্দেহজনক অৱস্থাত উদ্ধাৰৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰাকৰ শ্ৰীভূমিৰ সদৰত মহিলা কনিষ্টবলগৰাকীৰ মৃতদেহ চৰকাৰী ভাৰাঘৰত সন্দেহজনক অৱস্থাত উদ্ধাৰ হয়। মৃত মহিলা কনিষ্টবলগৰাকীৰ নাম হৈছে ৰাণী বৰা। ৩ মে'ত ৰাণী বৰাই শ্ৰীভূমি চহৰৰ থানা ৰোডৰ ভাৰাঘৰৰ ওচৰ-চুবুৰীয়াই চূড়ান্ত সিদ্ধান্ত লোৱাৰ কথা আৰক্ষীক খবৰ দিছিল। আৰক্ষীয়ে ততাতৈয়াকৈ উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰি তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে পৰিয়ালৰ লোক শ্ৰীভূমিত উপস্থিত হৈছে। পৰিয়ালে হত্যাৰ বলি হোৱা বুলি সন্দেহ কৰিছে যদিও পৰিয়াল আৰু আৰক্ষীয়ে এতিয়ালৈ আনুষ্ঠানিক বিবৃতি জাৰি কৰা নাই। মৃতদেহ উদ্ধাৰৰ পূৰ্বে প্ৰেমিকৰ সৈতে সংঘাতত লিপ্ত হৈছিল বুলি জানিব পৰা যায়। প্ৰেমিকৰ সৈতে ভিডিঅ'কলত কাজিয়াত লিপ্ত হৈছিল আৰু চোকা অস্ত্ৰৰে নিজ শৰীৰত আঘাত কৰিছিল বুলি সন্দেহ কৰা হৈছে। জানিব পৰা মতে, যোৰহাট জিলাৰ টীয়কৰ সেউজীপাৰত ঘৰ ৰাণী বৰাৰ। পিতৃ ৰজত বৰা, মাতৃ নিতুমণি বৰাৰ জ্যেষ্ঠ কন্যা আছিল। টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হৈ টীয়কৰ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ পৰা ইংৰাজী বিভাগত স্নাতক ডিগ্ৰী লাভ কৰিছিল। তাৰ পিছতে গুৱাহাটীত থাকি চাকৰি বিচাৰিবলৈ আৰম্ভ কৰিছিল। ২০২২ বৰ্ষত অসম আৰক্ষীত যোগদান কৰিছিল। শ্ৰীভূমিত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত সীমান্ত শাখাত কৰ্মৰত আছিল ৰাণী। কনিষ্টবল ৰাণীৰ মৃতদেহ পৰিয়ালে টীয়কলৈ আনি শেষকৃত্য সম্পন্ন কৰিব। ভাৰাঘৰত মহিলা আৰক্ষী কনিষ্টবলৰ ৰহস্যজনক মৃত্যুৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে শ্ৰীভূমিত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ ৯০০ কোটিৰ ঋণ ল'ব হিমন্ত

ৰাজকোষ উদং হৈ পৰিছে। পৰিবহণকে ধৰি বিভিন্ন প্ৰকাৰৰ জৰিমনা, আবকাৰী বিভাগে লাভ কৰা ৰাজহৰ বাহিৰে অসমত এতিয়া ৰাজহুৱা উদ্যোগ খণ্ডৰ পৰা উপাৰ্জন শূন্য। যাৰ বাবে মাহেকে-পষেকে কোটি কোটি টকাৰ ঋণ লৈ চৰকাৰ চলাবলগীয়া হৈছে। ঋণ অবিহনে চৰকাৰ চলাব নোৱাৰা অৱস্থা। তাৰ প্ৰমাণ হৈছে বাৰে বাৰে ঋণ লৈ অহাটোৱে। হিতাধিকাৰীৰ একাউন্টযোগে ধন দি থাকিবলগীয়া হোৱাৰ ফলতে ঋণ লৈ থাকিবলগীয়া হৈছে বুলি বিৰোধীয়ে অভিযোগ উত্থাপন কৰি আহিছে। এককথাত ক'বলৈ হ'লে ঋণৰ ওপৰত নিৰ্ভৰ কৰি চলিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ। ৰাজ্যৰ উদ্যোগ, বাণিজ্য বন্ধ হৈ পৰাত চৰকাৰখনে চাকৰিয়ালৰ দৰমহা, ঠিকাদাৰৰ বিল আদায় দিবলৈ মাহে ঋণ লৈ থাকিবলগীয়া হৈছে। চৰকাৰৰ ৰাজকোষ উদং হৈ থকাৰ ফলত বাৰে বাৰে ঋণ লৈ জোৰা-টাপলি মাৰিবলগীয়া হৈছে। মাহেকত ঋণ লৈ চৰকাৰ চলাই থকা বুলি বিৰোধী আৰু অৰ্থনীতিবিদসকলে অভিযোগ উত্থাপন কৰি আহিছে। তাৰ মাজতে বিত্তীয় বৰ্ষ আৰম্ভ হোৱাৰ পিছতে দ্বিতীয়বাৰৰ বাবে ঋণ ল'বলৈ সাজু হৈছে। প্ৰথমটো মাহত এবাৰ ঋণ লোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে দ্বিতীয়টো মাহত পুনৰ ঋণ ল'বলৈ সাজু হৈছে। ৬ মে'ত পুনৰ ৯০০ কোটি টকাৰ ঋণ ল'ব হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে। ২০ বছৰৰ বাবে ব'ণ্ড বিক্ৰী কৰি ৰিজাৰ্ভ বেংকৰ পৰা ৯০০ কোটি টকাৰ ঋণ ল'ব। অসম চৰকাৰৰ বিত্ত বিভাগে ইতিমধ্যে ৰিজাৰ্ভ বেংকক প্ৰস্তাৱ দিছে যে ২০ বছৰৰ বাবে ব'ণ্ড নিলাম কৰি ৯০০ কোটি টকাৰ ঋণ ল'ব। নতুন বিত্তীয় বৰ্ষ ২০২৫-২৬ বিত্তীয় বৰ্ষত দ্বিতীয়বাৰ ঋণ ল'বলৈ সিদ্ধান্ত লৈছে চৰকাৰে। ইয়াৰ পূৰ্বে যোৱা ২২ এপ্ৰিলত চৰকাৰখনে ৯০০ কোটি টকাৰ ঋণ লৈছিল। নতুন ২০২৫-২৬ বিত্তীয় বৰ্ষত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে ৩৬ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। যি কথা বিধানসভাত উত্থাপন কৰা বাজেটত উল্লেখ কৰিছে। ইয়াৰ আগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে জানুৱাৰীৰ পৰা ২২ এপ্ৰিললৈ পৰ্যন্ত চাৰি মাহত ৯,৭৫০ কোটি টকা ঋণ লৈছে। ৭ জানুৱাৰীত ৫০০ কোটি, ২৮ জানুৱাৰীত ৫০০ কোটি, ৪ ফেব্ৰুৱাৰীত ৯০০ কোটি, ১৮ ফেব্ৰুৱাৰীত ৯০০ কোটি, ২৫ ফেব্ৰুৱাৰীত এটা পৰ্যায়ত ৯৫০ কোটি আৰু আন এটা পৰ্যায়ত ৯০০ কোটিসহ ১,৮৫০ কোটি, ৪ মাৰ্চত ৯০০ কোটি, ১১ মাৰ্চত ৯০০ কোটি, ২৫ মাৰ্চত এটা পৰ্যায়ত ১,০০০ কোটি আৰু আন এটা পৰ্যায়ত ৫০০ কোটিসহ ১,৫০০ কোটি, ২২ এপ্ৰিলত ৯০০ কোটি টকাৰ ঋণ লয়। ২২ এপ্ৰিলত ৯০০ কোটি টকা ঋণ লোৱা চৰকাৰখনে ৬ মে'ত ৯০০ কোটি টকাসহ ৰাজ্য চৰকাৰৰ ঋণৰ পৰিমাণ হৈ পৰিব ১ লাখ ৭৩,৭৫০ কোটি টকা। বিৰোধী দলসমূহ আৰু অৰ্থনীতিবিদসকলে ৰাজ্য চৰকাৰৰ বাৰে বাৰে ঋণ গ্ৰহণৰ নীতিৰ ওপৰত উদ্বেগ প্ৰকাশ কৰি আহিছে। ঋণৰ সুদৰ বোজাই ৰাজ্যৰ অৰ্থনীতিত দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব পাৰে। নতুন বছৰটোত বাৰে বাৰে ঋণ লোৱা এইখন চৰকাৰৰ বিত্ত ব্যৱস্থা থৰক-বৰক বুলি অভিযোগ উঠি আহিছে। বিগত ৯ বছৰত অসমৰ বিজেপি চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ মাৰ্চ মাহলৈকে সুতৰ নামত ভৰিবলগীয়া হৈছে ৪২,০৬১ কোটি টকা। সৰ্বানন্দ সোণোৱাল চৰকাৰে ৫ বছৰত ১৯,৬৫১ কোটি টকা আৰু হিমন্ত চৰকাৰৰ তিনি বছৰতে সকলো অভিলেখ ভংগ কৰি সুদৰ নামত ভৰিছে ২২,৪১০ কোটি টকা। আনহাতে ১৫ বছৰকৈ শাসন চলোৱা কংগ্ৰেছৰ তৰুণ গগৈ চৰকাৰখনে ২০১৫-১৬ বিত্তীয় বৰ্ষলৈকে সুদৰ বাবদ ২৬,৩৬৯ কোটি টকা ভৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্বাচনকেন্দ্ৰিক হিংসা! শূন্যলৈ গুলী

প্ৰচাৰ অভিযান। তেনে সময়তে আজি নৱগঠিত হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ অন্তৰ্গত হাজোৰ নতুন শনিয়াদীত সংঘটিত হৈছে এক অবাঞ্ছিত ঘটনা। নতুন শনিয়াদীত আজি বিয়লিৰ ভাগত তৃণমূল কংগ্ৰেছৰ এক ৰেলীৰ মাজত কংগ্ৰেছ কৰ্মীয়ে চলোৱা এক আক্ৰমণৰ পৰিপ্ৰেক্ষিতত তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দুলু আহমেদৰ নিৰপত্তাৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে শূন্যলৈ দুইজাঁই গুলী চলাবলগীয়া হয় বুলি সংবাদ মাধ্যমৰ ওচৰত মন্তব্য কৰে দুলু আহমেদে। অভিযোগ মতে, তৃণমূল কংগ্ৰেছৰ নেতা দুলু আহমেদৰ উপস্থিতিত দলটোৱে নতুন শনিয়াদীত উলিয়ায় এক বিশাল নিৰ্বাচনী ৰেলী। তেনে সময়তে একাংশ কংগ্ৰেছ সমৰ্থকে তৃণমূল কংগ্ৰেছৰ ৰেলীৰ মাজত সোমাই আক্ৰমণ কৰিবলৈ উদ্যত হয় আৰু এক অবাঞ্ছিত ঘটনাৰ সূত্ৰপাত হয়। তেনে সময়তে তৃণমূল কংগ্ৰেছৰ নেতা দুলু আহমেদৰ নিৰপত্তাৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ শূন্যলৈ দুজাঁই গুলী চলায় বুলি জানিবলৈ দিয়ে। লগে লগে হাজো আৰক্ষীৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইআইটি, ছেমি কণ্ডাক্টৰ পৰিদৰ্শন

অধ্যক্ষ নুকাগা ফুকুশ্বিৰো আৰু তেওঁৰ সৈতে অহা উচ্চস্তৰীয় প্ৰতিনিধি দলটোৱে আজি দ্বিতীয় দিনা গুৱাহাটী আইআইটি আৰু মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটি আই আই টিত উপস্থিত হোৱাৰ লগে লগে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, শিক্ষা প্ৰতিষ্ঠানখনৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জালিহাল, অসমৰ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আদিয়ে উষ্ম আদৰণি জনায়। ইয়াৰ পিছতে আই আই টি গুৱাহাটীয়ে জাপানৰ সৈতে যুটীয়া প্ৰচেষ্টাৰে গ্ৰহণ কৰি থকা বিভিন্ন কাৰ্যসমূহৰ লগতে আগন্তুক দিনত সহযোগিতাৰে কৰিব বিচৰা কাৰ্যপন্থাসমূহৰ সবিশেষ জাপানৰ প্ৰতিনিধিবৰ্গৰ সন্মুখত উপস্থাপন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি জাপানৰ হাউছ অৱ্ ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰোৱে গণতন্ত্ৰৰ দৰে একে মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত দেশ দুখনে মিলি উন্নয়নৰ বাবে সহযোগিতাৰে কাম কৰিব পাৰে বুলি উল্লেখ কৰে। তেওঁ কয় যে ভাৰত তথ্য-প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ মানৱ সম্পদেৰে ঐশ্বৰ্যশালী। আনহাতে জাপানৰ এনে মানৱ সম্পদৰ প্ৰয়োজন। গতিকে জাপানত প্ৰতিষ্ঠিত হ'ব বিচৰা ভাৰতৰ এনে মানৱ সম্পদসমূহক জাপানে উদগনি যোগাবলৈ আগ্ৰহী। তদুপৰি আন্তঃগাঁথনি, নিৰ্মাণ আদিৰ উপৰি শিক্ষা, অৰ্থনীতি তথা ৰাজনীতি ক্ষেত্ৰতো গণতান্ত্ৰিক দেশ দুখনে সহযোগিতাৰে কাম কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। আনুষ্ঠনিকভাৱে জনোৱা আদৰণি পৰ্বৰ পিছতে প্ৰতিনিধি দলটিক প্ৰতিষ্ঠানখনৰ নেনোটেক্নল'জি চেণ্টাৰ আৰু ৰিচাৰ্ছ পাৰ্ক পৰিদৰ্শন কৰোৱা হয়। ৰিচাৰ্ছ পাৰ্ক পৰিদৰ্শনকালত আই আই টি গুৱাহাটীয়ে উদ্যমিতা আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৱলী সম্পৰ্কত পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যনৰ জৰিয়তে প্ৰতিনিধিবৰ্গক অৱগত কৰোৱা হয়। আনহাতে আই আই টি গুৱাহাটীত নিৰ্মীয়মান অত্যাধুনিক স্বাস্থ্যবিজ্ঞান প্ৰতিষ্ঠান আসাম এডভান্সড্ হেল্‌থ কেয়াৰ ইন'ভেশ্যন ইনষ্টিটিউট সম্পৰ্কতো মুখ্য পৰিচালন বিষয়া ডঃ সজল সেনে তেখেতসকলক অৱগত কৰে। ৫,৪৬০ মিলিয়ন ব্যয়সাপেক্ষ এই প্ৰতিষ্ঠানখনৰ নিৰ্মাণকাৰ্য চলিত বৰ্ষৰ ২ এপ্ৰিলৰ পৰা আৰম্ভ হৈছে যদিও ইতিমধ্যে চাৰিটা বিষয়ত গৱেষণাৰ কাম আৰম্ভ কৰা হৈছে। ৩০ মাহৰ ভিতৰত ইয়াৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। পৰিদৰ্শনকালত আই আই টিয়ানসকলে প্ৰদৰ্শন কৰা ষ্টাৰ্টআপৰ সামগ্ৰীসমূহ চাই প্ৰতিনিধিদলটোৱে সন্তুষ্টি প্ৰকাশ কৰে। প্ৰতিষ্ঠান পৰিদৰ্শনৰ পিছতে প্ৰতিনিধি দলটিয়ে আই আই টিৰ অতিথিশালাত অসমীয়া ব্যঞ্জনেৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে আজি পুৱাৰ ভাগত কামৰূপ জিলাৰ আমিনগাঁওস্থিত আছিয়ান- ওৱান টেকনিকেল চেণ্টাৰত উপস্থিত হোৱা প্ৰতিনিধি দলটোক আনুষ্ঠানিকভাৱে আদৰণি জনায় ৰাজ্য চৰকাৰৰ পৰ্যটন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই। জাপানৰ হাউছ অৱ্ ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰোই নিজৰ বক্তব্যত ভাৰতৰ এখন অন্যতম বিকশিত ৰাজ্য হ'বলৈ আগবঢ়া অসমৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ কথা উল্লেখ কৰে। তেওঁ কয় যে অসমৰ উন্নয়নত জাপানেও সহযোগিতা আগবঢ়াব। তেওঁ তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰত উপযুক্ত মানৱ সম্পদৰ গুৰুত্বৰ কথা উল্লেখ কৰি কয় যে অসম মানৱ সম্পদৰ ক্ষেত্ৰত চহকী। এই মানৱ সম্পদক উপযুক্ত ৰূপত গঢ় দিলে তেওঁলোকে জাপানৰ কৰ্মক্ষেত্ৰত নিয়োজিত হোৱাৰ প্ৰচুৰ সুবিধা লাভ কৰিব। ইয়াৰ ফলত জাপান আৰু অসম সমানে লাভান্বিত হ'ব। আজি উপস্থিত হোৱা জাপানৰ প্ৰতিনিধি দলটোক আমিনগাঁৱত অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধীনত নিৰ্মাণৰত আতিথ্য প্ৰকল্পৰ কৌশলগত অৱস্থান আৰু ইয়াত উপলব্ধ সুবিধাসমূহৰ বিষয়ে অৱগত কৰা হয়। লগতে ৰাজ্য চৰকাৰে এই আতিথ্য প্ৰকল্পতে আছিৱান- ওৱান টেকনিকেল চেণ্টাৰ মুকলি কৰি জাপানী ভাষা আৰু পৰীক্ষণ কেন্দ্ৰ আৰম্ভ কৰাৰ দিশত চলোৱা প্ৰস্তুতিৰ বিষয়ে অৱগত কৰা হয়। উল্লেখ্য এই কেন্দ্ৰটোৰ জৰিয়তে ৰাজ্যখনৰ যুৱক-যুৱতীসকলে জাপানী ভাষা শিকাৰ সুযোগ লাভ কৰাৰ লগতে দক্ষতাৰ প্ৰশিক্ষণ লাভ কৰিব পাৰিব যিয়ে পৰৱৰ্তী সময়ত বহিঃৰাষ্ট্ৰখনত অসমীয়া যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাট মুকলি কৰিব তথা জাপান আৰু অসমৰ মাজত সম্পৰ্ক শক্তিশালী কৰাত সহায় কৰিব। আজিৰ অনুষ্ঠানত শ্ৰম কল্যাণ, দক্ষতা , নিয়োগ আৰু উদ্যমিতা আদি বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড০ কে কে দ্বিবেদী, পৰ্যটন বিভাগৰ আয়ুক্ত সচিব কুমাৰ পদ্মপাণি বৰা, কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু কামৰূপ জিলাৰ আৰক্ষী অধীক্ষৰ ৰঞ্জন ভূঞা উপস্থিত থাকে। ইয়াৰ পিছতে দলটোৱে মৰিগাঁও জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীলৈ ৰাওনা হয়। জাপান সংসদৰ অধ্যক্ষ নুকাগা ফুকুছিৰ নেতৃত্বত জাগীৰোডলৈ অহা জাপানৰ এই প্ৰতিনিধি দলটোক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আদৰনি জনাই প্ৰকল্পটোলৈ যায়। উল্লেখযোগ্য যে এড্ভান্টেজ অসম ২•০ৰ প্ৰভাৱ হিচাপে এই দলটোৱে অসমত বিনিয়োগৰ পৰিকল্পনা কৰি এই ভ্ৰমণ কৰিছে। জাপানৰ এই প্ৰতিনিধি দলটোক জাগীৰোডত শতাধিক ছাত্ৰী আৰু মহিলাই হাতে হাতে লোৱা জাতীয় পতাকাৰে আদৰণি জনাই সন্মান প্ৰদৰ্শন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগত মন্ত্ৰী পীযুষ হাজৰিকা, মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই দলটোক আদৰনি জনায়। জাপানৰ এই প্ৰতিনিধি দলটোৱে অসম ভ্ৰমণৰ জৰিয়তে অসম আৰু জাপানৰ মাজত সম্পৰ্ক গভীৰ হোৱাৰ প্ৰমাণ হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰে। জাপান সংসদৰ অধ্যক্ষ নুকাগা ফুকুছিৰ নেতৃত্বত জাগীৰোডলৈ অহা দলটোত আছে সাংসদ ইয়ামাছিটা টাকাচি ছুছিমা জোন, এছিয়ান ৱান কোম্পানী লিমিটেডৰ অধ্যক্ষ নিছিকাৱা টাছিয়াকিকে ধৰি জাপানৰ প্ৰতিনিধিসকল। উল্লেখযোগ্য যে প্ৰথমবাৰলৈ অসমৰ জাগীৰোডত অহা জাপানৰ এই উচ্চপৰ্যায়ৰ প্ৰতিনিধি দলটোৰ ভ্ৰমণক লৈ মৰিগাঁও জিলাবাসী অত্যন্ত উৎসাহী হৈ পৰিছে। ভৱিষ্যতে মৰিগাঁও জিলাখন ভাৰতৰ ভিতৰত আৰু অধিক জনপ্ৰিয় হ'ব বুলি জাগীৰোডবাসীয়ে মত প্ৰকাশ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিত্ৰশিল্পী অমূল্য বৰুৱাৰ বিয়োগ!

কৰা অসমীয়া চিত্ৰশিল্পী অমূল্য বৰুৱাই এই পৃথিৱীৰ মায়া এৰি অচিন দেশলৈ মেলানি মাগিছে। শনিবাৰে লণ্ডনৰ নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰা বুলি পৰিয়ালে জানিবলৈ দিছে। মৃত্যুৰ সময়ত চিত্ৰশিল্পী অমূল্য বৰুৱাৰ বয়স আছিল ৭৫ বছৰ। ইহসংসাৰত পত্নী, এজন পুত্ৰ আৰু বোৱাৰীক এৰি যায়। আজি গুৱাহাটীত থকা পৰিয়ালৰ সদস্যই বিখ্যাত শিল্পীগৰাকীৰ মৃত্যুৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিয়ে। চিত্ৰশিল্পী অমূল্য বৰুৱাৰ মৃত্যুৰ খবৰে ৰাজ্যত শোকৰ ছাঁ পেলাইছে। অসমৰ কেইবাগৰাকী বয়োজ্যেষ্ঠ লোকে স্বনামধন্য অমূল্য বৰুৱাক স্মৰণ কৰি অসমৰ চিত্ৰশিল্পক বিশ্বজুৰি খ্যাতি দিয়া লোকসকলৰ ভিতৰত অমূল্য বৰুৱা অন্যতম আছিল বুলি কয়। জানিব পৰা মতে, তৈল নগৰী ডিগবৈত জন্মগ্ৰহণ কৰা অমূল্য বৰুৱাই পঢ়াকালৰ পৰাই চিত্ৰশিল্পৰ সাধনা কৰিছিল। কটন কলেজৰ পৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী গ্ৰহণ কৰি মুম্বাইৰ ছাৰ জে জে স্কুল অৱ আৰ্টৰ বাণিজ্যিক কলা বিভাগৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। অসমীয়া চিত্ৰশিল্পী হিচাপে খ্যাতি অৰ্জন কৰাৰ লগতে ল'গৰ বাবে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছিল। অসম পৰ্যটন বিভাগৰ ল'গ অংকন কৰিছিল। সত্তৰৰ দশকত অসমৰ পৰা ইংলেণ্ডলৈ স্থানান্তৰিত হয় আৰু লণ্ডনত স্থায়ীভাৱে থাকিবলৈ লয়। লণ্ডনত প্লাছ অন ডিজাইন নামৰ ডিজাইন প্ৰতিষ্ঠান এটা স্থাপন কৰে। প্লাছ অন ডিজাইনৰ দ্বাৰা গ্ৰাফিক ডিজাইন লণ্ডনৰ বিশেষ প্ৰতিষ্ঠান হিচাপে পৰিগণিত। লণ্ডনত গঢ়ি তোলা শিল্প প্ৰতিষ্ঠানটোত অসমৰ বহু ইতিহাস বিজড়িত কলাৰ চানেকী ৰাখি থৈ গৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ অধ্যক্ষক অভিযোগ দিব মুখ্যমন্ত্ৰীয়ে

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মাজিৰগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত আগচিয়াস্থিত পলাশবাৰী আঞ্চলিক হাইস্কুল খেলপথাৰত আয়োজিত বিজয় সংকল্প সমাবেশত মুখ্য অতিথি হিচাপে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ৰাইজক উদ্দেশ্যে কয় যে আমি এইখন অসমতে ডাঙৰ হৈছো। ১৯৭৯ চনৰ পৰা আমাৰ অসমখন অগ্নিগৰ্ভ হৈ আছিল। কেতিয়াবা বিদেশী আন্দোলন, কেতিয়াবা বড়ো আন্দোলন, কেতিয়াবা কাৰ্বি আন্দোলন, কেতিয়াবা আলফা আৰু কেতিয়াবা এন ডি এফ বি আন্দোলন। ১৯৭৯ চনৰ পৰা যিসকল ল'ৰা-ছোৱালী আমি ডাঙৰ হ'লো, তেতিয়া অসম মানেই অসম বন্ধ বুলি ভাবিছিলোঁ। বিদেশী আন্দোলন, ধৰ্ণা আদি। লাহে লাহে ১৯৮৫ চনৰ পিছত অসম মানে বোমা বিস্ফোৰণ, এন ডি এফ বি, আলফা, অসম বন্ধ, কামৰূপ বন্ধ, নগাঁও বন্ধ, গোৱালপাৰা, ধুবুৰী বন্ধ ইত্যাদি। লাহে লাহে আন্দোলন বাঢ়ি থাকিল। আজি বোলে কমতাপুৰৰ আন্দোলন, কালি আন এটা আন্দোলন, আদিবাসী আন্দোলন আমাৰ অসমত এনেকুৱা এটা দিন নাছিল অসমীয়া মানুহে বেয়া খবৰ নোপোৱাকৈ পাৰ কৰিছিল। কেতিয়াবা আলফাই গুলীয়াই মাৰিলে তেওঁ অসমীয়া আৰু কেতিয়াবা পুলিছে আলফাক গুলীয়াই মাৰিলে তেওঁ অসমীয়া, গুৱাহাটীত বোমা বিস্ফোৰণ হ'ল তাতো অসমীয়াৰ মৃত্যু হ'ল। বোমা দিয়াটোও অসমীয়া আৰু অসম বন্ধত গাড়ীত শিলগুটি মাৰি আইনা ভাঙিলে তেওঁ অসমীয়া আৰু মাৰ খোৱাটোও অসমীয়া। কোনোবাই যদি অসম ফুৰিবলৈ আহে তেতিয়া বাধ্যত পৰিহে অসমলৈ আহিছিল। অসমৰ মানুহে অসমৰ বাহিৰলৈ ওলাই গৈছিল। এনেকৈ বহুদিন চলিলে। বহু ব্যক্তি মুখ্যমন্ত্ৰী, বিধায়ক, এম পি হ'ল কোনেও আমি ভবা নাছিলোঁ যে অসমখনৰ পৰিৱৰ্তন হ'ব। ২০২১ চনত মই অসমৰ মুখ্যমন্ত্ৰী হ'লো। মুখ্যমন্ত্ৰীৰ চকীত কোনোবা নহয় কোনোবা এজনতো বহিব। যি নহওক ২০২১ চনৰ ১০ মে'ত মুখ্যমন্ত্ৰীৰ চকীত মই বহিলো। আজি আপোনালোকে অসম বন্ধ শুনিছেনে, বোমা বিস্ফোৰণ শুনিছেনে, পুলিচ, আৰ্মী, হুলস্থুল আদি শুনিছেনে? যোৱা চাৰি বছৰে অসমত শান্তিময় পৰিবেশে বিৰাজ কৰিছে। এনেদৰে যদি আমি অসমখন আৰু ৫ বছৰ ধৰি ৰাখিব পাৰো তেতিয়াহ'লে অসমখন ভাৰতৰ ভিতৰত এখন সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত হ'ব। মহাবাহু ব্ৰহ্মপুত্ৰ ওপৰত মাজিৰগাঁও-শুৱালকুছিত দলং, শৰাইঘাটৰ দুখন দলং, গুৱাহাটী-উত্তৰ গুৱাহাটী দলং আৰু ৮ ছেপ্তেম্বৰত নাৰেংগী আৰু কুৰুৱাত আন এখন দলং হ'ব। এই পৰিৱৰ্তনবোৰ হ'ব আমি কোনেও অনুভৱ কৰা নাছিলোঁ। আনহাতে কংগ্ৰেছৰ দিনত লুঙি, ধুতি, সূতা, কম্বল, আঁঠুৱা বিলাব লাগে, আৰু বেলেগ একো কামেই নাছিল। কংগ্ৰেছৰ দিনত মিটিঙত আহিলে মহিলাসকলে সূতা পাইছিল। সভাত মহিলা হৈছে ৫ হাজাৰ আৰু সূতাৰ বাণ্ডিল আছে ২ হাজাৰ, ওপৰৰ পৰা দলি মাৰি দিয়া হ'ল যিয়ে ধৰিব পাৰিলে ধৰিলে। আজি আমাৰ অসমত লুঙি, ধুতি, আঁঠুৱা, কম্বল, সূতাও নাই। দুৰ্গাপূজাত পঞ্চামৃত খুৱাব লাগে আৰু কংগ্ৰেছৰ পঞ্চামৃত আছিল লুঙি, ধুতি, সূতা, আঠুৱা আৰু কম্বল। এতিয়া সূতা, ধুতি, কম্বল আদি দিয়া নাই আমি মাহত ১২৫০ টকা দিছো, তেতিয়া মানুহে ইচ্ছা কৰিলে দোকানৰ পৰা ধুতি কিনি ল'ব পাৰিব। আজি অসমৰ দৰে অৰুণোদয় আঁচনি আমাৰ পৰা শিকি মধ্য প্ৰদেশ, ছত্তিশগড়ত এই আঁচনি চৰকাৰেবোৰে প্ৰচলন কৰিছে। চাকৰি দিয়াৰ নামত কংগ্ৰেছীবোৰে টকা লৈছিল। চাকৰিও নহয়, টকাও খৰচ হয়। এতিয়া চাকৰিৰ নামত কাৰো তামোল এখনৰ ভাগ্যও নাই। অসমত বহু মানুহ আছে, যাৰ চাকৰিৰ বাবে ইন্টাৰভিউ দিবলৈও টকা নাথাকে। এইবাৰৰ পৰা যিমান ল'ৰা-ছোৱালীয়ে ডিগ্ৰী পাছ কৰিব, তেনে ল'ৰা-ছোৱালীক চৰকাৰৰ পৰা এবছৰলৈ মাহত ২৫০০ টকা দিয়া হ'ব। এতিয়াৰ পৰা প্ৰত্যেক বছৰে প্ৰত্যেক সমষ্টিত এহাজাৰ ল'ৰা-ছোৱালীক দুই লাখ টকাকৈ দিয়া হ'ব। যাতে ব্যৱসায়-বাণিজ্য কৰি থাকিব পাৰে। বিজেপি দলে অসমলৈ শান্তি আনিছে। আজি অসমৰ মানুহে এখন মৰ্যাদাপূৰ্ণ সমাজত বাস কৰিব পাৰিছে। যিসকল মহিলাই চৰকাৰৰ পৰা পোৱা দহ হাজাৰ টকা ভালকৈ খৰচ কৰিব, তেনে মহিলাক পিছৰ বছৰ পঁচিশ হাজাৰ টকা দিয়া হ'ব। দহ হাজাৰ টকা পাবৰ বাবে ঘৰত তিনিটা সন্তানতকৈ অধিক সন্তান থাকিব নোৱাৰিব। অহা বছৰৰ পৰা আপোনালোকৰ মাজত মই এটা সুযোগ পাম বুলি ভাবিছোঁ। ২০২৬ ৰ পিছত আপোনালোকৰ মাজত দিনে-ৰাতিয়ে বহুত বেছি কাম কৰিবলৈ সুযোগ পাম। বহুত বেছি কাম হ'ব এই অঞ্চলত। দহৰ পৰা দেশলৈ। আপোনালোকে মাথোঁ বিজেপি দলৰ লগত থাকক। লুঙি পাৰ্টিক ভোট দি লাভ নাই। তেওঁলোকৰ এম পি মনে মনে গৈ পোন্ধৰ দিন পাকিস্তানত থাকি আহিছে। নিজৰ ল'ৰা-ছোৱালীৰ ভাৰতীয় নাগৰিকত্ব কাটি দি বিদেশী ৰাষ্ট্ৰৰ নাগৰিক কৰি দিছে। আনহাতে সাংবাদিকৰে হোৱা আছুতীয়া সাক্ষাৎকাৰত ডঃ শৰ্মাই গৌৰৱ গগৈ সন্দৰ্ভত কয় যে সাংসদ গৌৰৱ গগৈ এজন সন্দেহৰ উৰ্ধত থকা ব্যক্তি নহয়। কাৰণ পাকিস্তানত কাজিৰঙাও নাই মানস অভয়াৰণ্যও নাই। কাৰণ কাজিৰঙাত গঁড় দেখিবলৈ পাওঁ পাকিস্তানততো দেখা নাপাওঁ। এজন মানুহ পাকিস্তানত ১৫ দিন কেনেকৈ থাকিব পাৰে। কিবা ট্ৰেইনিং নল'লে বাকী মানুহতো যোৱাৰ কাৰণ নাই। গৌৰৱ গগৈয়ে যেনেকৈ নামাজ পঢ়ে শুদ্ধকৈ নামাজ মুছলমান মানুহ এজনেও পঢ়িব নোৱাৰে। মুছলমান মানুহ এজনক নামাজ পঢ়িবলৈ দিয়ক অলপ ভুল হৈ যায় যদি নতুন ল'ৰা হয়। কিন্তু গৌৰৱ গগৈয়ে একো ভুলেই নকৰে। লগতে তেওঁৰ ল'ৰা-ছোৱালী একেবাৰে সৰু। কোনোবা সাংসদ এজনে নিজৰ ল'ৰা-ছোৱালীক বিদেশী নাগৰিক কৰে নেকি? ডাঙৰ হৈ ২০ বা ২৫ বছৰ আছে বেলেগ কথা। মোৰ ল'ৰাটো ভাৰতীয় হৈ আছে পিছত বেলেগ এখন ৰাষ্ট্ৰৰ নাগৰিক কৰিম নেকি? লগতে তেওৰ পত্নীয়ে ১৯ বাৰ ভাৰত আৰু পাকিস্তান ভ্ৰমন কৰিছে। গতিকে এইখিনি কথা গৌৰৱ গগৈয়ে উত্তৰ ৰাইজক দিব লাগিব। পিছলা-পিছলি কৰি থাকিলে নহ'ব। এখন আইন আছে। এই আইনখনে উত্তৰ বিচাৰিব জানে আৰু অহা ২-৩ মাহৰ ভিতৰত গম পাব চৰকাৰে উত্তৰ বিচৰা আৰম্ভ কৰিব। তেওঁ ভাবে যে তেওঁতকৈ স্মাৰ্ট মানুহ নাই। উত্তৰ নিদিলে মই বাচি যাম। দেশত আইন আছে আইনকতো উত্তৰ দিব লাগিব। পোন্ধৰ দিনৰ প্ৰতিটো হিচাপ আমাক দিব লাগিব। পাকিস্তান বিতৰ্ক সন্দৰ্ভত গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে আদালতত গোচৰ তৰিব বুলি কৈছিল। কিন্তু গোচৰ তৰিলে জানো। মইতো কৈছিলো গোচৰ তৰক মোৰ বিৰুদ্ধে মই আদৰণি জনাইছিলো। গোচৰ নিদিলে। গতিকে কংগ্ৰেছ আৰু পাকিস্তানী একেই। তেওঁলোকৰ পাকিস্তানৰ প্ৰতি সহানুভূতি আৰু সমবেদনা আছে। মই এই সন্দৰ্ভত কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি খাৰ্গেক লগ কৰিম আৰু লগ কৰি সাংসদগৰাকীৰ এনেকুৱা ব্যৱহাৰৰ বিষয়ে অৱগত কৰিম বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। এই কথাক লৈ মই খাৰ্গেক লগ কৰিম। এপইণ্টমেন খুজি লগ কৰিম। জবাব লাগিবই। আপোনালোকৰ সাংসদ এজনৰ যদি এনেকুৱা ব্যৱহাৰ। তেন্তে তেনেকুৱা এজনক কিয় এম পি কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

আচৰণ বিধি উলংঘাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাটোৰেই হ'ল অপৰাধ!

# প্ৰতিশোধ ল'লে সুৰেণ ফুকনে, জোনমণি মৰাণক আটক

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৪ মে':** আজিৰ দিনটোত তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তবৰ্তী বৰডুমচা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সহ আন দুই আৰক্ষী বিষয়াৰ কৰ্মকাণ্ডক লৈ বৰডুমচা আৰক্ষী থানাৰ সন্মুখত স্থানীয় দল-সংগঠন আৰু ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি অহাৰ সমান্তৰালকৈ জিলাখনৰ ডুমডুমা আৰক্ষী থানাৰ এক প্ৰসংগক লৈও তিনিচুকীয়া শেষাংশ ৯ পৃষ্ঠাত



বিধায়ক সুৰেণ ফুকনৰ নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ প্ৰতিবাদ কৰি আটক জোনমণি, ফটোঃ ই-সংবাদ ব্যুৰ', তিনিচুকীয়া

# গোলকগঞ্জত অভাৰলোড শিলৰ ডাম্পাৰৰ খুন্দাত নিহত ১

**ই-সংবাদ, গোলকগঞ্জ, ৪ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ থানা এলেকাত অভাৰলোড শিল কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে। আজি অভাৰলোড শিলৰ ডাম্পাৰৰ খুন্দাত এজন ই-ৰিক্সা চালকৰ মৃত্যু হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি শেষাংশ ৮ পৃষ্ঠাত

# অভয়াপুৰীত বিজয় সমাৰোহত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**ই-সংবাদ, অভয়াপুৰী, ৪ মে':** ২০১৪ চনত নৰেন্দ্ৰ মোদীয়ে শাসনভাৰ লোৱাৰ আগতে ১৯৫২ চনৰ পৰা প্ৰায় ৬০ বছৰ কাল ভাৰতীয় জাতীয় কংগ্ৰেছে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ পৰিচালনা কৰিছিল। গাঁও পঞ্চায়ত, নগৰ শেষাংশ ৯ পৃষ্ঠাত

# নগাঁৱৰ বঢ়মপুৰৰ গাৰোখুন্দাত তুলিৰাম ৰংহাঙৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, কামপুৰ, ৪ মে':** বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কামপুৰৰ গাৰোখুন্দাত অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ আজি নিৰ্বাচনী প্ৰচাৰ চলালে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে। বঢ়মপুৰ সমষ্টিৰ বিধায়ক শেষাংশ ৮ পৃষ্ঠাত

# 'কংগ্ৰেছক পাহৰি যাওক', বটেৰহাটত এআইডিইউএফৰ বিশাল জনসভা

**ই-সংবাদ, গোলকগঞ্জ, ৪ মে':** সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছতে নৱ গঠিত সিন্দুৰাই জিলা পৰিষদ গৌৰীপুৰ সমষ্টিত অন্তৰ্ভুক্ত হয়। কালি সন্ধিয়া বটেৰহাটত এআইডিইউএফৰ সিন্দুৰাই জিলা পৰিষদ ভিত্তিত এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত মুখ্য বক্তা হিচাপে গৌৰীপুৰ সমষ্টিৰ বিধায়ক নিজানুৰ ইছলামে ৰাইজক উদ্দেশ্যি দিয়া ভাষণত শেষাংশ ৮ পৃষ্ঠাত

# উৰিয়ামঘাট ৰজাপুখুৰীত দাৰে ঘপিয়াই নৃশংস হত্যাকাণ্ড

**ই-সংবাদ, সৰুপথাৰ, ৪ মে':** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমাৰ বি ছেক্টৰৰ ৩ নং ৰজাপুখুৰীত আজি আবেলি প্ৰায় চাৰি বজাত এক নৃশংস হত্যাকাণ্ড সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। অভিযোগ অনুসৰি শেষাংশ ৮ পৃষ্ঠাত

# বৰপেটাৰোডত সৰ্বানন্দৰ নিৰ্বাচনী প্ৰচাৰ সভা

**ই-সংবাদ, বৰপেটাৰোড, ৪ মে':** পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ সভাত অংশগ্ৰহণৰ উদ্দেশ্যে আজি বৰপেটাৰোডত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত জনায় যে বিজেপি শেষাংশ ৯ পৃষ্ঠাত



বিধায়ক দিপ্লু ৰঞ্জনক লগত লৈ মন্ত্ৰী পীযুষৰ নিৰ্বাচনী প্ৰচাৰ

# মনাহকুছিত দিলীপ শইকীয়াৰ নিৰ্বাচনী সভা

**ই-সংবাদ, হাজো, ৪ মে':** পঞ্চায়ত নিৰ্বাচনলৈ সন্মুখত মাত্ৰ দুদিন বাকী। ৰাজনৈতিক দলবোৰৰ মাজত ক্ৰমশঃ নিৰ্বাচনী প্ৰচাৰ বৃদ্ধি পাই আহিছে।তেনে সময়তে আজি নৱগঠিত শেষাংশ ১১ পৃষ্ঠাত

# 'বিজেপিৰ তুচ্ছ-তাচ্ছিল্যবোৰ ৰাইজে ভাল পোৱা নাই'

**ই-সংবাদ, বৰপেটাৰোড, ৪ মে':** প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনী প্ৰচাৰ শেষ হোৱাৰ পিছতেই দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰত গৰম হৈ পৰিছে নিৰ্বাচনৰ প্ৰচাৰ। নামনি অসমৰ গাঁৱে-ভূঞে নেতা-পালিনেতাৰ ভিৰ দেখা গৈছে। শাসক-বিৰোধী নামি পৰিছে নিৰ্বাচনী প্ৰচাৰত। বৰপেটাৰোডৰ সমীপৰ সংখ্যালঘুপ্ৰধান এলেকা বগৰীগুৰিত এক নিৰ্বাচনী সভাত অংশ গ্ৰহণ কৰে সংসদ গৌৰৱ গগৈয়ে। তেওঁ সংবাদ মাধ্যমৰ আগত কয়, লোকসভা নিৰ্বাচনতকৈ এইবাৰ কংগ্ৰেছৰ ভোট বাঢ়িব। ৰাইজৰ মাজত এক সজাগতাৰ সৃষ্টি হৈছে, বিজেপিৰ অহংকাৰী আৰু তুচ্ছ-তাচ্ছিল্য কথাবোৰ ৰাইজে ভাল পোৱা নাই। যাৰ বাবে শেষাংশ ৮ পৃষ্ঠাত

**লোকসভা নিৰ্বাচনতকৈ এইবাৰ কংগ্ৰেছৰ ভোট বাঢ়িবঃ গৌৰৱ গগৈ**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যুদ্ধ উত্তেজনা! বাতিল অস্ত্ৰ কাৰখানাৰ

তলত সেই ২৬ নিৰীহৰ হত্যাকাৰী! ধৈৰ্য্যৰ বান্ধ ছিঙিছে, এই মুহূৰ্তত দেশজুৰি উঠিছে ক্ষোভৰ উদগীৰণ। এই আক্ৰমণৰ বিৰুদ্ধে সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ মাজতে দেশজুৰি উত্থাপন হৈছে এটা প্ৰশ্নৰ- আৰু কিমান দিন? আৰু সেই প্ৰশ্নৰ উত্তৰ বিচাৰিয়ে যেন প্ৰধানমন্ত্ৰী ইখনৰ পিছত সিখন উচ্চ পৰ্যায়ৰ বৈঠকত ব্যস্ত হৈ পৰিছে। সেনাবাহিনীও সাজু হৈছে। সীমান্তত অনুশীলন আৰম্ভ হৈছে, অস্ত্ৰ কাৰখানাত বন্ধৰ দিন বাতিল কৰা হৈছে- মুঠতে যুদ্ধৰ পূৰ্বাভাস ক্ৰমান্বয়ে স্পষ্ট হৈ পৰিছে। কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ সৈতে শনিবাৰে নিশা প্ৰধানমন্ত্ৰীয়ে জৰুৰী বৈঠকত মিলিত হয়। যদিও সেই বৈঠকৰ সবিশেষ অতি গোপনীয় কৰি ৰখা হৈছে, তথাপিও জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদ বিৰোধী ব্যৱস্থা আৰু সীমান্ত পৰিস্থিতিৰ বিষয়ে আলোচনা কৰা হৈছিল বুলি সূত্ৰই প্ৰকাশ কৰিছে। দেওবাৰে পুৱা প্ৰধানমন্ত্ৰীয়ে এয়াৰ চিফ মাৰ্শ্বাল অমলপ্ৰীত সিং আৰু অন্যান্য শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হয়। পাকিস্তান সীমান্তত বায়ুসেনাৰ সক্ৰিয় অনুশীলনৰ মাজতে এই বৈঠক যথেষ্ট তাৎপৰ্যপূৰ্ণ বুলি প্ৰতিৰক্ষা বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। আনহাতে এই মুহূৰ্তত যুদ্ধৰ গুৰুত্বপূৰ্ণ সংকেত আহিছে মধ্যপ্ৰদেশৰ জবলপুৰৰ পৰা। খামৰীয়া অস্ত্ৰ কাৰখানাৰ সকলো কৰ্মচাৰীৰ ছুটী বাতিল কৰা হৈছে। ইতিমধ্যে ছুটীত থকাসকলকো পুনৰ মাতি অনা হৈছে। সেনাৰ সূত্ৰ অনুসৰি এই সিদ্ধান্ত যুদ্ধকালীন বেগেৰে অস্ত্ৰ উৎপাদন আৰম্ভ কৰাৰ বাবে গ্ৰহণ কৰা হৈছে। এজন চৰকাৰী বিষয়াই কয় যে এয়া কোনো সাধাৰণ প্ৰস্তুতি নহয়। "যেতিয়া এই পৰ্যায়ত কাম-কাজ আৰম্ভ হয়, তেতিয়া অৰ্থ স্পষ্ট হয়- ভাৰতে আৰু পলম কৰিব বিচৰা নাই।" ইফালে ইতিমধ্যে ভাৰতে পানী যোগান কৰ্তন কৰি পাকিস্তানৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছে। ভাৰতে চেনাব নদীত বান্ধ নিৰ্মাণ কৰি বাগলীহাৰ বান্ধৰ মাজেৰে পাকিস্তান অভিমুখে পানীৰ সোঁত হ্ৰাস কৰিছে। এই পানীৰ অভাৱত গ্ৰীষ্মকালত মৰুভূমি অঞ্চলত দুৰ্যোগৰ সৃষ্টি হ'ব পাৰে বুলি আশংকা কৰিছে ইছলামবাদে। সেই ক্ষেত্ৰত কূটনৈতিক আৰু পৰিৱেশৰ চাপৰ সমান্তৰালকৈ ভাৰতে পানীকো যুদ্ধৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি আছে। উল্লেখ্য যে, পেহেলগাম আক্ৰমণৰ তদন্তত এতিয়ালৈকে প্ৰকাশ পোৱা অনুসৰি এই আক্ৰমণত চাৰিজন উগ্ৰপন্থীৰ দুজন আছিল পাকিস্তানী আৰু দুজন কাশ্মীৰী। ইতিমধ্যে উগ্ৰবাদীসকলৰ স্কেচ প্ৰকাশ কৰা হৈছে। গাইডৰ ভূমিকা গ্ৰহণ কৰে আদিল খাৰ্ট নামৰ এজন কুখ্যাত উগ্ৰপন্থীয়ে। তদন্তকাৰী সংস্থাটোৰে জনোৱা মতে আদিলকে ধৰি আন বহু লোকক চিনাক্ত কৰা হৈছে। অৱশ্যে এতিয়ালৈকে কোনো লোক ধৰা পৰা নাই। ৰাষ্ট্ৰীয় চোৰাংচোৱাৰ এজন বিষয়াই কয়, "আমি তেওঁলোকক বিচাৰি উলিয়াম। কিন্তু এইবাৰ খেল বেলেগ হ'ব।" কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সূত্ৰ অনুসৰি ইতিমধ্যে ভাৰতে যুদ্ধৰ প্ৰস্তুতি আৰম্ভ কৰিছে। সেনা আৰু বায়ুসেনাও সাজু হৈছে যুদ্ধ পৰিস্থিতিৰ বাবে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ জিলাত পুনৰ পঞ্চায়তৰ ভোটগ্ৰহণ

অনুষ্ঠিত কৰিব নোৱাৰিলে ৰাজ্যিক নিৰ্বাচন আয়োগ আৰু ৰাজ্যৰ গৃহ বিভাগে। ২ মে'ত অনুষ্ঠিত হৈছিল পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ। কিন্তু নানা বিসংগতিৰ বাবে পুনৰ কেইবাখনো জিলাৰ কেইবাটাও ভোট কেন্দ্ৰত অনুষ্ঠিত কৰিব লগা হ'ল পুনৰ ভোট গ্ৰহণ। প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ সময়ত সংঘটিত হোৱা বিসংগতিৰ বাবে ৪ মে'ত পুনৰ ৪৩ টা ভোট কেন্দ্ৰত ভোট গ্ৰহণ কৰিবলৈ বাধ্য হ'ল ৰাজ্যৰ নিৰ্বাচন আয়োগ। উল্লেখ্য যে এই বিসংগতিবোৰৰ বাবেই পূৰ্বে নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰি শুকুৰবাৰে ১৪ খন জিলাত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনত হোৱা অশান্তিৰ বাবে ৫ জিলাৰ ৪৩ টা ভোট কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। হাইলাকান্দিৰ ৩১ টা, শ্ৰীভূমিৰ ৮ টা, লখিমপুৰৰ ২ টা আৰু গোলাঘাট আৰু মাজুলীৰ এটাকৈ ভোট কেন্দ্ৰত পুনৰ ভোট গ্ৰহণ কৰা হৈছে। পুনৰ ভোটগ্ৰহণৰ বিষয়ত শ্ৰীভূমি জিলাৰ উপায়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে প্ৰক্ৰিয়াটো সুচাৰুৰূপে আগবাঢ়িছে বুলি আশ্বাস দি কয় যে "পৰ্যাপ্ত নিৰাপত্তা ব্যৱস্থা আৰু দণ্ডাধীশৰ অধীনত পুনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰা হৈছে। মই আশা কৰিছো যে ই শান্তিপূৰ্ণভাৱে সমাপ্ত হ'ব।" ইফালে শ্ৰীভূমিৰ আৰক্ষী অধীক্ষক পাৰ্থপ্ৰতিম দাসেও কয়, "পৰিস্থিতি স্বাভাৱিক। এই চহৰৰ ৮ টা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। আমি পৰ্যাপ্ত নিৰাপত্তাৰ ব্যৱস্থা কৰিছো। শান্তিপূৰ্ণ ভোটগ্ৰহণ চলি আছে।" উল্লেখ্য যে শুকুৰবাৰে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, মাজুলী, গোলাঘাট, লখিমপুৰ, ধেমাজি, বিশ্বনাথ, শোণিতপুৰ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমিত প্ৰথম পৰ্যায়ৰ ভোট গ্ৰহণ অনুষ্ঠিত হৈছিল। বাকী ১৩ খন জিলাত ৭ মে'ত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ১১ মে'ত ভোটগণনা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অপ্ৰাসংগিক' শুকুৰৰ মন্তব্যত উত্তাল

লম্পট শুকুৰ আলীয়ে আহোম জনগোষ্ঠীক লৈ কৰা বিতৰ্কিত মন্তব্যক লৈ উজনি অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কালি সংখ্যালঘু এলেকাত এখন সভাত অংশ লৈ শুকুৰ আলীয়ে আহোমে একো কৰা নাই বুলি বাৰে বাৰে দাবী কৰি কয় যে ৰাম মন্দিৰ নিৰ্মাণ হৈছে সেই মাটি ঔৰংজেৱে দি গৈছিল। আনহাতে কামাখ্যা মন্দিৰ য'ত নিৰ্মাণ হৈছে সেইখিনি মাটি ঔৰংজেৱে দিয়া মাটি বুলি দাবী কৰে। আহোমসকলে কি কৰিছে বুলি প্ৰশ্ন কৰি শুকুৰ আলীয়ে কয় যে আহোমসকলে একো কৰা নাই। আহোমসকলে কেৱল লবী ৰাজনীতি কৰিছিল। লাচিত বৰফুকনে লবী ৰাজনীতি কৰা বুলি উল্লেখ কৰি শুকুৰে আৰু কয় যে মই কথাবোৰ কৈ যাম, মই ভয় নকৰো, মোক জে'লত ভৰাই থওক। এই মন্তব্যৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একাংশ লোকে শুকুৰক বলিয়া আখ্যা দিছে। আহোম, লাচিত বৰফুকনক অপমান কৰিবলৈ ক'ত সাহস পালে বুলি প্ৰশ্ন কৰিছে একাংশ লোকে। ঔৰংগজেৱে দিয়া মাটিত কামাখ্যা মন্দিৰ.ৰ নিৰ্মাণৰ তথ্য কোনখন বুৰঞ্জীত পালে বুলি প্ৰশ্ন কৰিছে একাংশ লোকে। শুকুৰৰ এনে মন্তব্যৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে আহোম জনগোষ্ঠীৰ দল-সংগঠন। দিছপুৰ আৰক্ষী থানাত লম্পট শুকুৰ আলীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে এটা সংগঠনে। বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে সদৌ অসম গোসাঁই সমাজে দাখিল কৰিছে এজাহাৰ। কংগ্ৰেছৰ প্ৰবক্তা ৰূপা কলিতাই এই মন্তব্যৰ তীব্ৰ বিৰোধ কৰিছে। ৰূপা কলিতাই কয় যে বিজেপিয়ে বিভিন্ন সময়ত আহোমসকলক আওপকীয়াকৈ অপমান কৰি অহা আমি দেখা পাইছোঁ, এইবাৰ শুকুৰ আলীৰ দ্বাৰা অপমান কৰোৱা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু এডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘বিজেপিৰ তুচ্ছ-তাচ্ছিল্যবোৰ ৰাইজে

ৰাইজে আমাক বিচাৰিছে আৰু লোকসভা নিৰ্বাচনতকৈ এইবাৰ কংগ্ৰেছৰ ভোট বাঢ়িব বুলি কয়।তেওঁ কয়, বিজেপিৰ বিভিন্ন আঁচনি অকল কাগজতেই সীমাবদ্ধ। জলজীৱন আঁচনিৰ নামত কোটি কোটি টকা খৰচ কৰিছে কিন্তু ৰাইজে পানী পোৱা নাই। ২৪ ঘন্টা বিজুলী দিব পৰা নাই। তেওঁলোকে ধৰ্মৰ নামত ৰাজনীতি কৰে, কিন্তু ভগৱানৰ নাম লৈ অসমত আটাইতকৈ বেছি মদৰ দোকান খোল হৈছে। ইয়াতকৈ লজ্জাজনক কথা কি হব পাৰে বুলিও কয়। তেওঁলোকে মোৰ ওপৰত, মোৰ পৰিয়ালৰ ওপৰত, মোৰ সন্তানৰ ওপৰত ৰাজনীতি কৰিছে। আমি দুখীয়া ৰাইজৰ হৈ, নিবনুৱাৰ হৈ, ৰাজনীতি কৰি আছো। গৌৰৱ গগৈয়ে পাকিস্তান যোৱা সম্পৰ্কে সাংবাদিকৰ আগত কয়, যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা SIT গঠন কৰি এতিয়ালৈকে ৰাজহুৱাকৈ জনাব পৰা নাই। একেখিনি কথা দোহাৰি আছে। তেওঁ কয়, মই সদায় একলগ হোৱা বিচাৰো কিন্তু এনেকুৱা ব্যক্তিয়ে এদিন বিজেপিক সমালোচনা কৰিব, এদিন কংগ্ৰেছক সমালোচনা কৰিব, এদিন মন্ত্ৰীক প্ৰশংসা কৰিব, এদিন কংগ্ৰেছৰ নেতাক প্ৰশংসা কৰিব, তেনে ব্যক্তিৰ লগত ইচ্ছা থাকিলে কাম কৰাৰ অসুবিধা হ’ব বুলি জনায় গৌৰৱে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বড়মপুৰৰ গাৰোখুন্দাত নিৰ্বাচনী প্ৰচাৰ

জিতু গোস্বামী, কাৰ্বি আংলংৰ প্ৰাক্তন সাংসদ হৰেনসিং বেঁ, EM ৰূপসিং টেৰণ, তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈৰ লগতে কেইবাগৰাকী নেতাৰ উপস্থিতিত চাইবুক গাঁৱৰ খেলপথাৰত অনুষ্ঠিত সভাখনত বিষয়াজনে মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ৰাইজৰ আগত চিনাকি কৰি দিয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমত নেতৃত্ব লোৱাৰ পিছতে কাৰ্বি আংলঙলৈ শান্তিম ঘূৰি আহিছে বুলি তেওঁ ভাষণত উল্লেখ কৰে। তেওঁ কয় যে জাতি-জনগোষ্ঠীৰ বিভিন্ন সমস্যা আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধান কৰা হৈছে। উগ্ৰপন্থীৰ সৈতে আলোচনাৰ মাজেৰে শান্তি চুক্তি কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। ইফালে শেহতীয়াকৈ তুলিৰাম ৰংহাঙৰ চৰ্চা লাভ কৰা ঘৰটোৰ বিষয়ে সাংবাদিকে সোধাত তেওঁ সেইটো পুত্ৰৰ ঘৰ বুলি মন্তব্য কৰে। ঘৰটোত বৰ্তমানলৈকে ডেৰ কোটি টকা খৰচ হৈছে আৰু কাম বৰ্তমানো সম্পূৰ্ণ হৈ উঠা নাই বুলি মন্তব্য কৰে। ইফালে জনমানসত তেওঁক হেয় প্ৰতিপন্ন কৰাৰ বাবে একাংশই এনেদৰে অপপ্ৰচাৰ চলাইছে বুলি তেওঁ সাংবাদিকক জানিবলৈ দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গোলকগঞ্জত অভাৰলোড শিলৰ

কৰিছে। মৃত লোকজন উত্তৰ ৰায়পুৰ তৃতীয় খণ্ড গাঁৱৰ মতিলাল দেৱনাথ (৪০) ওৰফে টোটন। বিৰাট নগৰ চাৰিআলিৰ ফলৰ দোকানী মতিলাল পুৱা আঠ বজাত ই-ৰিক্সাৰে ফল আনিবলৈ গৈ আছিল গৌৰীপুৰ অভিমুখে। উচিতাৰ দক্ষিণ ৰায়পুৰ দ্বিতীয় খণ্ডৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বিপৰীত দিশত অভাৰলোড শিল কঢ়িয়াই অনা AS 16 AC 4556 নম্বৰৰ ডাম্পাৰৰ লগত মুখামুখি সংঘৰ্ষ লাগে। য ফলত গুৰুতৰভাৱে আহত হয় ই-ৰিক্সা চালক মতিলাল দেৱনাথ। সেই সময়ত উক্ত পথেৰে গৈ থকা ১০৮ মৃত্যুঞ্জয় সেৱাৰ এম্বুলেন্স এখনে তৎপৰতাৰে কাষতে থকা গোলকগঞ্জ খণ্ড প্ৰাথমিক চিকিৎসালয়লৈ নিয়ে। কিন্তু চিকিৎসকে মৃত ঘোষণা কৰাত মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে অসম চৰকাৰৰ নিৰ্দেশক অংগুষ্ঠ প্ৰদৰ্শন কৰি ধুবুৰী জিলা পৰিবহণ, বন আৰু আৰক্ষীক মেনেজ কৰি দিনে-নিশাই অব্যাহত আছে অভাৰলোড শিল কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্য। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি ছিণ্ডিকেট চক্ৰক নিয়ন্ত্ৰণৰ দাবী জনাইছে ৰাইজে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘কংগ্ৰেছক পাহৰি যাওক’, বটেৰহাটত

কয়, আগতে গোলকগঞ্জত আছিল, কংগ্ৰেছ-বিজেপি কৰিছিল আপত্তি নাই। এতিয়াও যদি কংগ্ৰেছ কৰি থাকে কোনো কামেই নহ’ব। কাৰণ গৌৰীপুৰত দূৰ-দূৰণিলৈ কংগ্ৰেছ বিচাৰিলেও নাই। ৩৩ বছৰে কংগ্ৰেছৰ কোনো চিন-মোকাম নাই। তেওঁ কয়, ক্ষমতাত নাথাকিলেও এআইডিইউএফৰ বিধায়ক হিচাপে গৌৰীপুৰৰ ৭০-৮০ শতাংশ উন্নয়ন কৰিবলৈ সক্ষম হৈছে। হিন্দু, মুছলমান, জৈন, খ্ৰীষ্টান, বড়ো, আদিবাসী, নেপালী, চৰাঞ্চল, পাহাৰ-ভৈয়াম সকলোৰে সমভাৱে উন্নয়ন কৰিবলৈ সক্ষম হৈছে। এই উন্নয়নত চামিল হোৱাৰ বাবে তেওঁ সিন্দুৰাই জিলা পৰিষদৰ প্ৰাৰ্থী ৰফিকা বিবি, বটেৰহাট গাঁও পঞ্চায়তৰ কাউন্সিলৰ প্ৰাৰ্থী ফকৰুদ্দিন আলী, সোণাখুলি গাঁও পঞ্চায়তৰ কাউন্সিলৰ প্ৰাৰ্থী মহম্মদ আলী, কৈমাৰীৰ প্ৰাৰ্থী জুলেখা বিবিক ভোটদান কৰাৰ আহ্বান জনায়। সভাত সদ্য প্ৰাক্তন কংগ্ৰেছ নেত্ৰী সাবানা আখতাৰাই কংগ্ৰেছ সাংসদ ৰকিবুলক আক্ৰমণৰ লক্ষ্য হিচাপে লয়। তেওঁ কয়, ৰকিবুলৰ কাৰণেই কংগ্ৰেছ ধ্বংসৰ পথত। দলৰ সক্ৰিয় নেতাক উপেক্ষা কৰি টকাৰ বিনিময়ত টিকট বিক্ৰী কৰিছে সেয়ে কংগ্ৰেছ এইবাৰ পঞ্চায়ত নিৰ্বাচনত বেয়াকৈ ধৰাশায়ী হ’ব। নিজৰ সমষ্টি চামগুৰিত নিজ পুত্ৰক জয়ী কৰাবলৈ সক্ষম হোৱা নাই, ধুবুৰীত আহি কি নেতাগিৰি কৰিব বুলি প্ৰশ্ন উত্থাপন কৰে। আনহাতে এআইডিইউএফৰ ধুবুৰী জিলাৰ উপ-সভাপতি অধিবক্তা জমছেৰ তালুকদাৰে ভাষণত কয় যে কংগ্ৰেছে ইমান দিনে সংখ্যালঘুৰ ভোট লৈ ৰাজনীতি কৰি আহিছিল আৰু সদায়ে সংখ্যালঘুকে ঠগাই আহিছে। তেওঁ কয়, আইএমডিটি আইন গুচি ফৰেনাৰ্ছ ট্ৰাইবুনেলৰ যি ডিটেনচন কেম্প হৈছে তৰুণ গগৈৰ দিনতে হৈছে লগত তেতিয়া কাণ্ডাৰী হিচাপে ৰকিবুল হুছেইন, ৰাজেদ আলী সৰকাৰ, মহিবুল হুছেইন, আব্দুল হামিদ আনোৱাৰ, ছিদ্দিক হুছেইন আদি মুছলমান কংগ্ৰেছ নেতা আছিল। কিন্তু কোনো প্ৰতিবাদ কৰা নাছিল। শেহতীয়াকৈ গো সুৰক্ষা আইন, মেৰিজ এণ্ড ডিভোৰ্চ আইন, হিন্দুৰ মাটি মুছলমানে কিনিব নোৱাৰিব, ৱাকফ আইনকে ধৰি নতুনকৈ বলৱৎ কৰা ক’লা আইনসমূহৰ বিৰুদ্ধে এআইডিইউএফৰ বিধায়কৰ বাহিৰে কোনো কংগ্ৰেছ বিধায়কে মাত নামাতে। কংগ্ৰেছৰ মুছলমানপ্ৰীতিৰ আচল ৰহস্য ওলাই পৰিছে। সেয়ে কংগ্ৰেছক চিৰদিনৰ বাবে ওফৰাই পেলাবৰ বাবে এআইডিইউএফৰ প্ৰাৰ্থীক ভোটদান কৰাৰ আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# উৰিয়ামঘাট ৰজাপুখুৰীত দাৰে ঘপিয়াই

গাঁওখনৰ বিচনাথ এক্কা নামৰ ২৭ বছৰীয়া যুৱক এজনে ফাইজুন নেচা নামৰ মহিলা এগৰাকীক পথাৰৰ মাজত দাৰে ঘপিয়াই হত্যা কৰে। জানিব পৰা মতে মহিলাগৰাকী সুলভ মূল্যৰ দোকানৰ পৰা ঘূৰি আহি আছিল। উল্লেখ্য যে উক্ত ঘটনাটো সংঘটিত কৰাৰ পিছত বিচনাথ এক্কাই আন তিনিজন লোককো দাৰে ঘপিয়াই গুৰুতৰভাৱে আহত কৰে। পিছত আহত তিনিওকে সৰুপথাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনাৰ পিছতে উত্তেজিত গাঁওবাসীয়ে এক্কাৰ বাসগৃহটো জ্বলাই দিয়ে। ঘটনাস্থলীত উৰিয়ামঘাট আৰক্ষী, চি আৰ পি এফৰ দল আৰু সীমা দণ্ডাধীশ উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ইতিমধ্যে অভিযুক্ত বিচনাথ এক্কাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। কি কাৰণত এনে নৃশংস হত্যাকাণ্ড সংঘটিত হ’ল বৰ্তমানেও পোহৰলৈ অহা নাই।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছ এতিয়া ফুটা কলহঃ দীপ্লুৰঞ্জন

দিয়া মানে ফুটা কলহত ভোট দিয়া। কংগ্ৰেছ এতিয়া এটা ফুটা কলহ বুলি উল্লেখ কৰি বিধায়কজনে বিজেপি আৰু অগপৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনোৱাৰ লগতে মিত্ৰজোঁটৰ সমৰ্থিত ৱাৰ্ড সদস্যসকলক ভোট দিবলৈ আহ্বান জনায়।নিৰ্বাচনী ৰেলী, পদযাত্ৰা কৰি বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, মিন্টু শৰ্মা, পাৰ্থ প্ৰতিম শইকীয়াকে ধৰি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক লৈ পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়ৰ সমীপত এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই কংগ্ৰেছ দলক সমালোচনা কৰাৰ লগতে বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম জিলা পৰিষদৰ প্ৰাৰ্থী মিন্টু শৰ্মাৰ লগতে আন প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰাবলৈ আহ্বান জনায়। আজিৰ নিৰ্বাচনী ৰেলীত গাঁওসমূহৰ ৰাইজৰ ব্যাপক উৎসাহ পৰিলক্ষিত হয়। উল্লেখযোগ্য যে নৱগঠিত বঢ়মপুৰ সমষ্টিৰ অধীনৰ চাৰিটা জিলা পৰিষদ সমষ্টি যদিও ইয়াৰে বঢ়মপুৰ, কঠীয়াতলী আৰু যমুনামুখ জিলা পৰিষদ সমষ্টিকেইটা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। বৰ্তমান বিজেপি মিত্ৰজোঁটৰ বাবে পুৰণিগুদাম জিলা পৰিষদ সমষ্টিটোত অধিক ভোটত জয়লাভ কৰাটো দলৰ সন্মানৰ প্ৰশ্ন আহি পৰাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ উপৰি কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাৰ নেতৃত্বত দলৰ কৰ্মীসকলে নিৰ্বাচনী প্ৰচাৰত উঠিপৰি লগা দেখা গৈছে। ইফালে, পুৰণিগুদাম জিলা পৰিষদৰ কংগ্ৰেছৰ প্ৰাৰ্থী সীমা দেৱীয়ে জিলা পৰিষদ সমষ্টিটোত জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা দেখা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ সুৰত সুৰ মিলাই গৌৰৱক

নোহোৱা হ'ল।- এই মন্তব্য জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাৰ। আজি জাগীৰোড সমষ্টিৰ মায়ং আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত অনুষ্ঠিত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভা সম্বোধন কৰি এইদৰে মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰীগৰাকীয়ে অসমৰ সকলোতকৈ বানবিধ্বস্ত সমষ্টি জাগীৰোডৰ ৯০ শতাংশ বানপানী সমস্যা নোহোৱা কৰিবলৈ সক্ষম হোৱা বুলি দাবী কৰে। উল্লেখ্য যে এই সমগ্ৰ অঞ্চলটোত বৃহৎ মাকৈৰ খেতি হয়। কৃষকে ধান খেতি যদি এবিঘা কৰে ১৫ হাজাৰ টকা উপাৰ্জন হয়, ইয়াৰ বিপৰীতে মাকৈ খেতি যদি এবিঘা কৰে তেন্তে ৩০ হাজাৰ টকা উপাৰ্জন হয়। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে আগতে মথাউৰি নথকাৰ বাবে মানুহে ইয়াত মাকৈৰ খেতি কৰিব পৰা নাছিল। মথাউৰি নিৰ্মাণ কৰাৰ পিছত ইয়াত বানপানী নোহোৱা হ'ল আৰু এই অঞ্চলৰ মানুহে ইয়াত মাকৈৰ খেতি কৰি এতিয়া যথেষ্ট লাভান্বিত হৈছে বুলি কয়। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাগীৰোডবাসীক ছেমিকণ্ডাক্টৰ উপহাৰ দিয়াৰ কথাও উল্লেখ কৰি কয় যে জাগীৰোড অসমৰ ইণ্ডাষ্ট্ৰীয়েল হাব হ'ব। এনেদৰে মন্ত্ৰীগৰাকীয়ে সমষ্টিত ৰূপায়ণ কৰা চৰকাৰী বিভিন্ন উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰি ভাষণ দিয়ে। এই সভাতে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াইও ভাষণ দাঙি ধৰে। শইকীয়াই ৰাইজক সম্বোধন কৰি মায়ং অঞ্চল আজি বানপানীৰ পৰা বহু পৰিমাণে মুক্ত হৈছে বুলি কয়। ইয়াৰ কৃতিত্ব তেওঁ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰীকাক দিয়ে। তদুপৰি ভাৰত-ভুটান সীমান্তত থকা জালিমুখ বান্ধ প্ৰায় ২২ কোটি টকাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাই নিৰ্মাণ কৰি দিয়াৰ বাবে আজি জাগীৰোড, ছিপাঝাৰ সমষ্টিকে ধৰি পাঁচটা সমষ্টিত বানৰ তাণ্ডৱ হ্ৰাস পাইছে বুলি উল্লেখ কৰে। তেওঁ কয় যে বিজেপি চৰকাৰে হেজাৰ হেজাৰ কিলোমিটাৰ মথাউৰি শক্তিশালীভাৱে পুনৰ নিৰ্মাণ কৰিছে। নতুন ৰূপত নিৰ্মাণ কৰিছে ৰাস্তা আৰু মোউৰি। বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰিছে বিজেপি চৰকাৰে। তেওঁ কয় যে বিজেপিৰ চৰকাৰ ৰাইজৰ প্ৰতি দায়বদ্ধ থকা চৰকাৰ। ৰাইজক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ সাজু থকা, দায়িত্বশীল তথা সদা জাগ্ৰত চৰকাৰ। বিজেপিৰ সভাপতিগৰাকীয়ে ভাৰতীয় শাসন ব্যৱস্থাৰ অন্যতম শাসন ব্যৱস্থা পঞ্চায়তী ৰাজ বুলি উল্লেখ কৰি পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা দাঙি দৰে। আমাৰ দেশৰ সংবিধানৰ ৭৩ সংখ্যক সংশোধনীৰ জৰিয়তে এই পঞ্চায়তীৰাজ ব্যৱস্থা আমাৰ দেশত প্ৰৱৰ্তন কৰা হৈছে বুলি তেওঁ উল্লেখ। বিজেপিৰ সভাপতিগৰাকীয়ে জাগীৰোড তথা মায়ংবাসীয়ে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি ত্ৰিপুল ইঞ্জিনৰ চৰকাৰ প্ৰতিষ্ঠা কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে। সভাত মৰিগাঁও জিলা পঞ্চায়ত নিৰ্বাচনৰ সহঃ তত্বাৱধায়ক ৰাতুল শৰ্মা, মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰ, মৰিগাঁও জিলা অগপৰ সভাপতি ৰাজেন বড়াৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে জাগীৰোড সমষ্টিৰ ঔজাৰীত বিজেপিৰ অসম প্ৰদেশৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ সৈতে আন এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। সভাত মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে হাতত লোৱা উন্নয়নমূলক পদক্ষেপসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে আৰু সকলোকে বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰতি আস্থা-বিশ্বাস, মৰম অব্যাহত ৰাখি পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক অভিলেখসংখ্যক ভোটত জয়ী কৰিবলৈ আহ্বান জনায়। সভাত বিজেপিৰ সভাপতি দিলীপ শইকীয়াও ভাষণ দাঙি ধৰে। এই সভাত বিধায়ক ৰমাকান্ত দেউৰী, মৰিগাঁও জিলা পঞ্চায়ত নিৰ্বাচনৰ সহঃ তত্বাৱধায়ক ৰাতুল শৰ্মা, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰ, মৰিগাঁও জিলা অগপৰ সভাপতি ৰাজেন বড়া আদিৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। একেদিনাই মন্ত্ৰীগৰাকীয়ে হোজাই বিধানসভা সমষ্টিৰ ৰাজাগাঁও ৰাজহুৱা প্ৰেক্ষাগৃহত ভাৰতীয় জনতা পাৰ্টিৰ 'বিজয় সংকল্প সমাৰোহ'ত অংশ লৈ ৰাইজক সম্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ৰাইজক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে ৰহা সমষ্টিত প্ৰায় ৩২ হাজাৰ পৰিয়াক অৰুণোদয় দিয়াৰ কথা উল্লেখ কৰি আৰু ৫ হাজাৰ পৰিয়ালক অৰুণোদয় দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। আনহাতে, কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে সাংসদ গৌৰৱ গগৈক পুনৰ আক্ৰমণৰ কৰে। তেওঁ কয় প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ, তথা সাংসদ গৌৰৱ গগৈয়ে ১৫ দিনকৈ পাকিস্তানত কটাই আহে। মনে মনে গৈ পাকিস্তানত কটাই আহে। ইপিনে, পাকিস্তানে প্ৰত্যক দিনাই ভাৰতীয় মানুহক মাৰিবলৈ বিচাৰি থাকে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে পেহেলগামৰ বৰ্বৰ ঘটনাৰ উদাহৰণ দাঙি ধৰে। এই পাকিস্তানৰ লগত সু-সম্পৰ্ক কংগ্ৰেছৰ নেতা গৌৰৱ গগৈৰ বুলি তেওঁ ভাষণত উল্লেখ কৰে। তেওঁ পুনৰ কয় যে গৌৰৱ গগৈৰ দুয়োটা সন্তান ব্ৰিটিছৰ নাগৰিক। তেওঁৰ সন্তান ভাৰতীয় নহয়। ইয়াৰ অৰ্থ হ'ল যে ভাৰতবৰ্ষক তেওঁলোকে ভাল নাপায়, অসমক তেওঁলোকে ভাল নাপায়। অকল ৰাজনীতি কৰি তেওঁলোক ইয়ালৈ নেতাগিৰি কৰিবলৈ আহে। বাকী সময়খিনি তেওঁলোকে লণ্ডনত কটায়। এয়াই হৈছে কংগ্ৰেছ দল। এনেকুৱা কংগ্ৰেছ দলক ভোট দিলে আমাৰ কষ্ট হ'ব বুলি তেওঁ কয়। তেওঁ কয় যে হিন্দু-মুছলমান কোনো কথা নাই, আমি সকলোৰে ভোট বিচাৰো। পাকিস্তানী সমৰ্থকৰ ভোট আমাক নালাগে। পাকিস্তানৰ সমৰ্থন কৰা মানুহক তেওঁ কংগ্ৰেছক ভোট দিবলৈ কয়। আনহাতে, ৰাষ্ট্ৰবাদী মানুহক বিজেপি-এজিপিক ভোট দিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। সভাত ৰাইজৰ আশাব্যঞ্জক সঁহাৰি, মৰমত ইতিমধ্যেই বিজেপি মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থীসকলৰ একপ্ৰকাৰ সুনিশ্চিত বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে আজি পুনৰ সকলোকে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিপুলসংখ্যক ভোটত জয়ী কৰাবলৈ আহ্বান জনায়। এইখন সভাত সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ৰামকৃষ্ণ ঘোষ, বিজেপিৰ হোজাই জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ সহঃ তত্বাৱধায়ক অভিজিত নাথ আদিৰ লগতে দলীয় কাৰ্যকৰ্তা, শুভাকাংক্ষী উপস্থিত থাকে। মোৰাঝাৰতো মন্ত্ৰীগৰাকীয়ে বিয়লি আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত উপস্থিত থাকি ৰাইজক সম্বোধন কৰে।

# ভাৰতৰ বিৰুদ্ধে ফে'ক নিউজ বিয়পাই ৰণ জিকাৰ চেষ্টা পাকিস্তানৰ

**নতুন দিল্লী, ৪ মে':** ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে কঠোৰ কূটনৈতিক ব্যৱস্থা গ্ৰহণ কৰে। ২৬ জন লোকৰ প্ৰাণ লোৱা ভয়ংকৰ ঘটনাটোত পাকিস্তানৰ হাত থকাৰ অভিযোগ উত্থাপিত হোৱাৰ পাছতে এই পদক্ষেপ গ্ৰহণ কৰা হয়। ভাৰতে লস্কৰ-ই-তৈবাৰ দৰে সন্ত্ৰাসবাদী গোটক সমৰ্থন কৰাৰ বাবে, দেশখনক জবাবদিহি কৰিছিল। বৰ্তমান সিন্ধু জল চুক্তি স্থগিত ৰখা হৈছে আৰু দুয়োখন দেশৰ মাজত আকাশী পথ বন্ধ ৰখা হৈছে। এনে পৰিস্থিতিত ভাৰতৰ বাবে বিশ্ববাসীয়ে সমৰ্থন প্ৰদৰ্শন কৰিবলৈ আৰম্ভ কৰাৰ সময়তে এক্স (পূৰ্বতে টুইটাৰ)ৰ দৰে ছচিয়েল মিডিয়া প্লেটফৰ্মবোৰ পাকিস্তান-ভিত্তিক অপপ্ৰচাৰ অভিযান আৰম্ভ হৈছে। এই প্লেটফৰ্মসমূহত ভাৰতক অস্থিৰ আৰু ইয়াৰ সামৰিক বাহিনীক বিভ্ৰান্ত হিচাপে চিত্ৰিত কৰিবলৈ চেষ্টা কৰাৰ সমন্বিত অপপ্ৰচাৰ পোষ্টবোৰ সকলোতে বিয়পি পৰিছে। এটা ভাইৰেল পোষ্টত মিছাকৈ দাবী কৰা হৈছে যে ভাৰতীয় বায়ু সেনাই মধ্য প্ৰদেশৰ এটা অসামৰিক অঞ্চলত "দুৰ্ঘটনাক্ৰমে বোমা বিস্ফোৰণ" কৰিছে। এছইউ-৩০ যুঁজাৰু বিমান এখনে যুদ্ধাস্ত্ৰ পেলোৱাৰ দৃশ্য কেইবাটাও বিভ্ৰান্তিকৰ পোষ্টত ব্যৱহাৰ কৰা হৈছে। আইএনএছ বিক্ৰান্ত সন্দৰ্ভতো বহু ভুৱা তথ্য ছচিয়েল মিডিয়াত বিয়পাই দিয়া হৈছিল যদিও সেইবোৰক মিছা বুলি ইতিমধ্যে প্ৰতিপন্ন কৰা হৈছে। ফেক নিউজ সম্পৰ্কীয় আন এটা উদাহৰণ এনেধৰণৰ- পাকিস্তানী চেনেল আৰু ট্ৰ'ল নেটৱৰ্কে দাবী কৰিছিল যে প্ৰতিৰক্ষা চোৰাংচোৱা সংস্থাৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল ডি এছ ৰাণাক "বৰ্খাস্ত" কৰা হৈছে আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ "কালা পানী" দণ্ড উপনিবেশলৈ নিৰ্বাসিত কৰা হৈছে। এই তথ্য ভুৱা বুলি ইতিমধ্যে ফেক্ট চেকিং এজেঞ্চীসমূহে প্ৰমাণ কৰিছে। আনহাতে লেফটেনেণ্ট জেনেৰেল এম ভি সুচিন্দ্ৰ কুমাৰক পহেলগাম আক্ৰমণৰ সৈতে সম্পৰ্কিত নিৰাপত্তা বিফলতাৰ বাবে উত্তৰ কমাণ্ডৰ পৰা "আঁতৰাই" দিয়া হৈছে বুলিও এক ভিত্তিহীন বাতৰি পাক-পন্থী ছচিয়েল মিডিয়া হেণ্ডেলসমূহত প্ৰচাৰ কৰি থকা হৈছে।



ইজৰাইলৰ আক্ৰমণৰ পাছত কেন্দ্ৰীয় গাজা ষ্ট্ৰিপৰ নুচিৰাট শৰণাৰ্থী শিবিৰৰ দৃশ্য, ফটো দেওবাৰৰ

# বিশ্বৰ শীৰ্ষৰ দহ ধনী অভিনেতাৰ ভিতৰত শ্বাহৰুখ

**মুম্বাই, ৪ মে':** বলীউডৰ ছুপাৰষ্টাৰ শ্বাহৰুখ খান বিশ্বৰ আটাইতকৈ ধনী অভিনেতাসকলৰ ভিতৰত অন্যতম। এস্কুৱাৰ আলোচনী অনুসৰি, তেওঁ ২০২৫ চনৰ শীৰ্ষ ১০ জন ধনী অভিনেতাৰ তালিকাত চতুৰ্থ স্থানত আছে। তেওঁৰ আনুমানিক মুঠ সম্পত্তিৰ মূল্য ৮৭৬.৫ নিযুত ডলাৰ। এই ক্ষেত্ৰত তেওঁ ব্ৰেড পিট, জৰ্জ ক্লুনি, টম হেংকছ আৰু জেকি চেনৰ দৰে হলিউড তাৰকাতকৈ আগত আছে। তালিকাখনত আৰ্নল্ড শ্বাৰ্জনেগাৰে ১.৪৯ বিলিয়ন ডলাৰৰ সৈতে শীৰ্ষস্থান দখল কৰিছে। তাৰ পিছত আছে ড্ৰোৱেন 'দ্য ৰক' জনছন। তেওঁৰ সম্পত্তিৰ পৰিমাণ ১.১৯ বিলিয়ন ডলাৰ, আৰু টম ক্ৰুজ, যাৰ সম্পত্তিৰ মূল্য ৮৯১ নিযুত ডলাৰ। জৰ্জ ক্লুনি ৭৪২.৮ নিযুত ডলাৰৰ সৈতে পঞ্চম স্থানত আছে।

# আইএমএফৰ বিষয়া কেভি সুব্ৰমণিয়ামক বৰ্খাস্ত

**নতুন দিল্লী, ৪ মে':** আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ভাৰতৰ কাৰ্যবাহী সঞ্চালক ড০ কৃষ্ণমূৰ্তি ভি সুব্ৰমণিয়ামক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বৰ্খাস্ত কৰা হৈছে। তেওঁ ২০১৮ চনৰ পৰা ২০২২ চনলৈ ভাৰতৰ আটাইতকৈ কম বয়সীয়া মুখ্য অৰ্থনৈতিক উপদেষ্টা হিচাপে কাম কৰিছিল। তেওঁ ভাৰত, বাংলাদেশ, শ্ৰীলংকা আৰু ভূটানক প্ৰতিনিধিত্ব কৰিছিল। চৰকাৰে তেওঁৰ কাৰ্যকাল কৰ্তনৰ কোনো কাৰণ দৰ্শোৱা নাই।

# পাক গুপ্তচৰৰ সৈতে লিংক! অমৃতসৰত দুজনক গ্ৰেপ্তাৰ

**অমৃতসৰ, ৪ মে':** পাঞ্জাৱৰ অমৃতসৰ আৰক্ষীয়ে শনিবাৰে অঞ্চলটোৰ সেনা ছাউনী আৰু বিমান ঘাটিসমূহৰ সংবেদনশীল তথ্য আৰু ছবি ৰাজহুৱা কৰাৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰে। এক গুপ্তচৰ বিৰোধী অভিযানৰ অংশ হিচাপে আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰে। জম্মু-কাশ্মীৰত শেহতীয়াকৈ পহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত-পাকিস্তানৰ তীব্ৰ উত্তেজনা চলি থকাৰ মাজত এই ঘটনা সংঘটিত হৈছে। অমৃতসৰ গ্ৰাম্য আৰক্ষীয়ে সন্দেহযুক্ত লোককেইজন পলক শ্বেৰ মাছিহ আৰু সুৰজ মাছিহ বুলি চিনাক্ত কৰি কয় যে দুয়োজনৰ পাকিস্তানী চোৰাংচোৱা কৰ্মীৰ সৈতে সম্পৰ্ক আছে। তেওঁলোকক বৰ্তমান অমৃতসৰ কেন্দ্ৰীয় কাৰাগাৰত জিম্মাত থকা হৰপ্ৰীত সিং ওৰফে পিট্টুৰ জৰিয়তে বিচাৰি উলিওৱা হয়। অফিচিয়েল ছিক্ৰেটছ এক্টৰ অধীনত পলক শ্বেৰ মাছিহ আৰু সুৰজ মাছিহৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত চলি আছে।

# কাশ্মীৰত দুৰ্ঘটনাত নিহত ভাৰতীয় সেনাৰ ৩ জনকৈ জোৱান

**ৰামবন, ৪ মে':** কাশ্মীৰ উপত্যকাৰ ৰামবনৰ দুৰ্গম পাহাৰীয়া অঞ্চলত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাবলগীয়া হ'ল ভাৰতীয় সেনাৰ ৩ জোৱানে। চকা পিচলি সেনাৰ এখন ট্ৰাক সাত শ ফুট দ খাৰৈত বাগৰি পৰাত থিতাতে মৃত্যু ঘটে সেনা জোৱান কেইজনৰ। দুৰ্ঘটনাটোত নিহত জোৱান কেইজনৰ নাম অমিত কুমাৰ, সুজিত কুমাৰ আৰু মন বাহাদুৰ বুলি জানিব পৰা গৈছে। সেনাৰ সূত্ৰ অনুসৰি দেওবাৰে পুৱা ৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে জম্মুৰ পৰা শ্ৰীনগৰ অভিমুখে এখন সেনাৰ টহলদাৰী ট্ৰাক গৈ আছিল। কিন্তু বাটাৰী চামছা অঞ্চলত প্ৰৱেশ কৰিবলৈ ওলোৱাৰ লগে লগে ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই ভয়ংকৰ বেগেৰে তলৰ খাৰৈত বাগৰি পৰে। এই খবৰ পোৱাৰ লগে লগে সেনা, আৰক্ষী, আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী সেই স্থানত উপস্থিত হয়। অতি কষ্টেৰে উদ্ধাৰ হয় তিনিজন জোৱানৰ মৃতদেহ। স্থানীয় ৰাইজৰ সহায়ত উদ্ধাৰ হোৱা মৃতদেহ কেইটা প্ৰথমে ৰামবন জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। সেনাই তিনিজন জোৱানৰ মৃত্যুত শোক প্ৰকাশ কৰি তেওঁলোকৰ অন্তিম অনুষ্ঠান যথাযথ সামৰিক সন্মানেৰে পালন কৰা হ'ব বুলি জানিবলৈ দিছে। উল্লেখ্য যে, ইতিমধ্যে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে কাশ্মীৰ উপত্যকাত নিৰাপত্তা অধিক শক্তিশালী কৰা হৈছে।

# ৩ বছৰীয়া শিশুৰ ইচ্ছামৃত্যু! পৰম্পৰাৰ নামত এয়া কি?

**ইন্দোৰ, ৪ মে':** সন্থাৰা নামৰ স্বেচ্ছামূলক উপবাসৰ জৈন ৰীতি-নীতি সম্পন্ন কৰাৰ পাছত ইন্দোৰত এটি তিনি বছৰীয়া শিশুৰ মৃত্যু হোৱাৰ ঘটনা পোহৰলৈ আহিছে। ব্ৰেইন টিউমাৰত আক্ৰান্ত কন্যা শিশুটিৰ যোৱা ২১ মাৰ্চত মৃত্যু হৈছিল যদিও সান্থাৰাৰ জৰিয়তে মৃত্যু হোৱা কনিষ্ঠতম লোক হিচাপে গ'ল্ডেন বুক অব ৰেকৰ্ডছত শিশুটিৰ নাম অন্তৰ্ভুক্ত হোৱাৰ পাছত বিষয়টো শেহতীয়াকৈ চৰ্চালৈ আহিছে। ইন্দোৰৰ পিয়ুষ জৈন আৰু বৰ্ষা জৈনৰ কন্যা ভিয়ানাৰ দেহত যোৱা ডিচেম্বৰত ৰোগ ধৰা পৰিছিল। চিকিৎসাত সুফল নাপাই শিশুটিৰ পিতৃ-মাতৃ জৈন গুৰু ৰাজেশ মুনি মহাৰাজৰ কাষ চাপ। তেওঁ সান্থাৰাৰ ৰীতি পালন কৰাৰ ২০ মিনিটৰ ভিতৰতে ভিয়ানাৰ মৃত্যু হয়। সন্থাৰা হৈছে এক জৈন ধৰ্মীয় প্ৰথা য'ত এজন ব্যক্তিয়ে স্বেচ্ছাই উপবাসৰ জৰিয়তে তেওঁলোকৰ জীৱন শেষ কৰিব বিচাৰে। এই প্ৰথাত ক্ৰমান্বয়ে খাদ্য আৰু পানীৰ পৰা বিৰত থকা হয় আৰু জৈনসকলে আত্মাক শুদ্ধ কৰা আৰু মুক্তি প্ৰাপ্ত কৰাৰ উপায় হিচাপে ইয়াক গ্ৰহণ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বপপেটাৰোডত সৰ্বানন্দৰ নিৰ্বাচনী

বিজেপি মিত্ৰজোঁটৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ লগতে দ্বিতীয় পৰ্যায়ৰ ফলাফলো ভাল হ'ব। যিহেতু এতিয়া বিজ্ঞান, প্ৰযুক্তি আৰু প্ৰতিযোগিতাৰ যুগ আৰু এই প্ৰতিযোগিতাৰ যুগত ভাৰতবৰ্ষ শ্ৰেষ্ঠ ৰাষ্ট্ৰ হিচাপে থাকিব বিচাৰে আৰু ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেনেদৰেই দক্ষতাৰে নেতৃত্বত দিছে, যাৰফলত ভাৰতবৰ্ষ আজি শক্তিশালী হৈছে বুলি কোৱাৰ লগতে কংগ্ৰেছৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বাবে ভাৰতবৰ্ষৰ শাসন ব্যৱস্থা দুৰ্বল হৈছিল। ইমান সম্পদ আৰু সমৃদ্ধিৰে ভৰা ভাৰতবৰ্ষক কংগ্ৰেছৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰে দুৰ্বল কৰিছিল। এতিয়া ভাৰতবৰ্ষ বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। অহা পাঁচ বছৰত ভাৰতবৰ্ষ বিশ্বৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হ'ব বুলি কয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। সেই লক্ষ্যৰে পঞ্চায়ত নিৰ্বাচন আমাৰ বাবে গুৰুত্বপূৰ্ণ। কংগ্ৰেছ জনসাধাৰণৰ পক্ষত নাই দুৰ্নীতিৰ পক্ষত আছে, ভ্ৰষ্টাচাৰৰ পক্ষত আছে, তেওঁলোকৰ পৰিয়ালতন্ত্ৰ নীতিৰ বাবে কংগ্ৰেছৰ নেতা-পালিনেতা ৫৫ বছৰে ধনী হ'ল, দুখীয়া দুখীয়া হৈয়ে থাকিল। সেইবাবে কংগ্ৰেছৰ এতিয়া ৰাইজৰ মাজলৈ যোৱাৰ নৈতিক সাহস নাই, জনসাধাৰণৰ মাজলৈ যোৱাৰ সাহস নাই। ভাৰতবৰ্ষৰ জনসাধাৰণে কংগ্ৰেছক চিৰদিনৰ বাবে বিদায় দিছে। ভাৰতবৰ্ষ নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰু হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ক্ষিপ্ৰতাৰে উন্নতি হৈছে আৰু অসমৰ বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম শক্তিশালী হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অভয়াপুৰীত বিজয় সমাৰোহত কেন্দ্ৰীয়

সমিতিসমূহো পৰিচালনা কৰিছিল। কিন্তু ছটা দশক ধৰি শাসনত থাকিও গাঁও বা চহৰৰ পৰিবৰ্তন কৰিবলৈ সক্ষম হোৱা নাছিল। এই মন্তব্য প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। আজি বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত ঘিলাগুৰিত আগন্তুক পঞ্চায়ত নিৰ্বাচন উপলক্ষে বিজেপি-অগপ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলোৱাৰ অৰ্থে অনুষ্ঠিত সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কংগ্ৰেছ দলক সমালোচনা কৰি কয় যে এখন সমাজ বিশেষকৈ গাঁও অঞ্চলৰ ৰাইজ সামাজিকভাৱে সক্ষম হ'বলৈ, আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল হ'বলৈ হ'লে শৈক্ষিকভাৱে বা সাংস্কৃতিকভাৱে আগুৱাই যাবলৈ সকলো ক্ষেত্ৰতে জনসাধাৰণ আধুনিক ধ্যান-ধাৰণাৰে আন্তঃগাঁথনিৰ ব্যৱস্থা বিশেষভাৱে প্ৰদান কৰিব লাগে। তেওঁ ভাষণত কয় যে যাতায়াত ব্যৱস্থা যেতিয়ালৈকে সুচল নহয় তেতিয়ালৈকে এখন সমাজ, এখন ৰাজ্য, এখন ৰাষ্ট্ৰ উন্নয়নৰ পথত আগবাঢ়িব নোৱাৰে। সেইবাবে প্ৰধানমন্ত্ৰী মোদীয়ে কংগ্ৰেছৰ দীৰ্ঘদিনীয়া অৱহেলাৰ ফলত হোৱা উন্নয়নৰ স্থবিৰতা ভালকৈ অধ্যয়ন কৰি দেখে কংগ্ৰেছ বিফল হোৱাৰ কাৰণটোৱে হ'ল কংগ্ৰেছৰ নেতা-পালিনেতাসকলৰ দৰিদ্ৰ জনগণৰ শ্ৰদ্ধা-ভক্তিসহকাৰে সেৱা কৰাৰ মানসিকতা নাছিল। ইয়াৰ পৰিবৰ্তে কংগ্ৰেছৰ নেতা-পালিনেতাসকলৰ নিজৰ পৰিয়ালৰ আৰ্থিক অৱস্থা সবল কৰাৰ নিমিত্তে দুখীয়া-দৰিদ্ৰৰ বাবে প্ৰস্তুত কৰা আঁচনিৰ ধন আত্মস্যাৎ কৰিছিল। সাংসদ ফণীভূষণ চৌধুৰী, বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ সুভাষ দত্ত, জিলা সভাপতি উজ্জ্বলকান্তি ৰায়, সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক আদিয়ে অংশ লোৱা আৰু সমজিলাখনৰ অন্তৰ্গত ঘিলাগুৰি গোমাঠত অনুষ্ঠিত বিজয় সংকল্প সমাৰোহত নৰেন্দ্ৰ মোদীয়ে শাসনভাৰ লৈ আন্তৰিকতাৰে, আধুনিক ধ্যান-ধাৰণাৰে, সঠিক নীতি, সঠিক পৰিকল্পনাৰে, সঠিক আঁচনিৰে সকলো জনগণৰ বাবে কাম কৰাৰ বাবে বিশ্বৰ পঞ্চম অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হ'ল। বঙাগাঁও জিলাতো মেডিকেল কলেজ, ইউনিভাৰ্ছিটী, মাল্টিমডেল লজিষ্টিক পাৰ্ক হ'ল। তাত থকা নদী বন্দৰটো আন্তৰ্জাতিকভাৱে নিৰ্মাণ হ'ল। তেওঁ কয় যে পঞ্চায়ত নিৰ্বাচন ভাৰতবৰ্ষৰ আটাইতকৈ ডাঙৰ নিৰ্বাচন। য'ত গঞা ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশ গ্ৰহণ কৰে। এনে অৱস্থাত অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক বিজয়ী কৰি উন্নয়ন ত্বৰান্বিত কৰিবলৈ ৰাইজলৈ আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প্ৰতিশোধ ল'লে সুৰেণ ফুকনে, আটক

জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা ১ মে' ত ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰহাপজান গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত নিৰ্বাচনী বিধি উলঙ্ঘা কৰি বিধায়ক সুৰেন ফুকনে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ যোৱাৰ অভিযোগ তুলি ৱাৰ্ডটোৰ পূৰ্বৰ বিজেপি দলৰ সদস্যা তথা এইবাৰৰ নিৰ্দলীয় প্ৰাৰ্থীৰূপে পুনৰবাৰ ৱাৰ্ডটোৰ পৰা প্ৰতিদ্বন্দিতা কৰা জোনমণি মৰাণে বিধায়ক সুৰেন ফুকনক গাঁওখনৰ পৰা পছু খেদা দিয়াৰ পিছত বিধায়ক সুৰেন ফুকনে সামাজিক মাধ্যমত ঘটনাৰ সন্দৰ্ভত স্পষ্টীকৰণ দিয়াৰ লগতে জোনমণি মৰাণৰ বিৰুদ্ধে কতবোৰ অভিযোগ তুলিছিল। বিধায়ক সুৰেন ফুকনে জোনমণি তেওঁৰ আত্মীয় বুলি কৈ যোৱাবাৰ নিৰ্বাচনত জোনমণি মৰাণক নিজেই টিকেট প্ৰদান কৰিছিল বুলি কৈছিল। তেওঁ লগতে কৈছিল যে জোনমণি মৰাণ কাজিয়া কৰা মহিলা। সকলোৰে লগত কাজিয়া কৰে। ৱাৰ্ড সদস্যা হিচাপে জোনমণি মৰাণে বিশেষ একো কাম নকৰা বুলিও কৈছিল বিধায়ক ফুকনে। বিধায়কগৰাকীক গাঁওখনৰ পৰা একপ্ৰকাৰৰ পছু খেদা দিয়া জোনমণি মৰাণক বিধায়কগৰাকীৰ নিৰ্দেশ অনুসৰি একাংশ সংগোপাংগ তথা বিজেপি দলৰ পালি নেতাৰ এজাহাৰৰ ভিত্তিত ডুমডুমা আৰক্ষীয়ে আটক কৰি ডুমডুমা আৰক্ষী থানাত এই বাতৰি যুগুতোৱা পৰ্য্যন্ত জেৰা চলাই থকাৰ কথা জানিব পৰা গৈছে। যুৱ মৰ্চাৰ সভাপতি-সম্পাদক ক্ৰমে চন্দন নেওঁগ আৰু মিৰাজ মৰাণৰ এজাহাৰৰ ভিত্তিত ডুমডুমা আৰক্ষীয়ে জোনমণি মৰাণ আটক কৰে। আৰক্ষীয়ে জোনমণি মৰাণক ভাৰতীয় ন্যায় সংহিতাৰ ২২১, ১৩২, ১২৬, ২৯৬, ৩৫১(৪), ৩৫২ আৰু ১৯০ ধাৰাৰ অধীনত গোচৰ ৰুজু কৰাৰ কথা জানিব পৰা গৈছে। সমান্তৰালকৈ জোনমণি মৰাণৰ স্বামী সীমান্ত মৰাণ আৰু দেওৰেক হীৰকজ্যোতি মৰাণৰ বিৰুদ্ধেও বিজেপি নেতা-কৰ্মীয়ে এজাহাৰ দাখিল কৰা বুলিও জানিব পৰা গৈছে। ঘটনাৰ সন্দৰ্ভত ডুমডুমা আৰক্ষী থানাত জোনমণি মৰাণৰ শতাধিক সমৰ্থক উপস্থিত হৈছে। ঘটনাক লৈ অজাপৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে অসম আৰক্ষীৰ ভূমিকাৰ সন্দৰ্ভতো সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ কয়,"অসমৰ বহু মানুহে আৰক্ষী থানাত বহু গুৰুত্বপূৰ্ণ অভিযোগ দাখিল কৰে কিন্তু আৰক্ষীয়ে বহু সময়ত গা টোও ইফাল সিফাল নকৰে। কিন্তু বিজেপিৰ কোনোবা সদস্যই অভিযোগ এটা দিলেই অসম আৰক্ষীয়ে চাবি দিয়া পুতলাৰ দৰে জপিয়াবলৈ আৰম্ভ কৰে, কাৰণ কি? "জনহিত জনসেৱাৰ্থে" ত উৎসৰ্গিত অসম আৰক্ষী "বিজেপি হিত বিজেপি সেৱাৰ্থে" উৎসৰ্গিত হ'ল নেকি?" প্ৰাক্তন পৰ্য্যটন মন্ত্ৰী জগদীশ ভূঞাই অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক অনুৰোধ জনায় কয় যে, অসম আৰক্ষীক ৰাজনৈতিক হাথিয়াৰ হ'বলগীয়া পৰ্যায়লৈ নিনিব, অসম আৰক্ষীৰ গৰিমা ম্লান হ'বলৈ নিদিব। ভূঞাৰ মতে, ৰাজনৈতিক ক্ষমতা সলনি হৈ থাকিব, কালি কোনোবা আছিল আজি কোনোবা আছে, কাইলৈ আৰু কোনোবা আহিব। কিন্তু অসম আৰক্ষী সদায় জনহিতাৰ্থে থিয় দি থাকিব। ভূঞাই অসম আৰক্ষীক ৰাইজৰ পৰা চেনেহ আৰু শ্ৰদ্ধা অৰ্জন কৰিবলৈ প্ৰয়াস কৰাৰ পৰামৰ্শ প্ৰদান কৰাৰ লগতে অশ্ৰদ্ধা, ত্ৰাস আৰু ভয় অৰ্জন নকৰিবলৈ কৈ সকলো ক্ষেত্ৰত নিৰপেক্ষ হ'বলৈ আহবান জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মনাহকুছিত দিলীপ শইকীয়াৰ নিৰ্বাচনী

ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মনাহকুছিত বিজেপি মিত্ৰদলৰ মনোনীত জিলা পৰিষদৰ সদস্যা গীতিমা দাস আৰু মনাহকুছি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা দীপালী দাসৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই। মনাহকুছি কৃষ্টি বিকাশ সংঘৰ চৌহদত অনুষ্ঠিত এক নিৰ্বাচনী প্ৰচাৰ সভাত অংশ গ্ৰহণ কৰে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ অন্তত অহা ৭ মে'ত অনুষ্ঠিত হ'ব অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচন। নামনিৰ পৰা উজনিলৈ সমগ্ৰ অসমৰ সকলো ঠাইতে ভোটাৰ ৰাইজৰ মাজত অদম্য উৎসাহ-উদ্দীপনা দেখি আহিছোঁ। জনতাৰ উৎসাহ-উদ্দীপনাই আমাক সাহস প্ৰদান কৰি আহিছে বুলি মন্তব্য কৰে সভাপতিগৰাকীয়ে। উত্তৰ কামৰূপ জিলা বিজেপিৰ উপ-সভাপতি বিপুল দাসে আঁত ধৰা সভাত ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাই বিভিন্ন উন্নয়নৰ উদাহৰণ দাঙি ধৰি সমাগত পঞ্চায়ত নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিপুল ভোটত জয়যুক্ত কৰি নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হাত শক্তিশালী কৰিবলৈ আহ্বান জনায়।

# 'এই নিৰ্বাচনৰ পৰাই আৰম্ভ হ'ব কংগ্ৰেছ দলৰ শ্মশান যাত্ৰা'

**ই-সংবাদ, ভৱানীপুৰ, ৪ মে':** 'এইবাৰ পঞ্চায়ত নিৰ্বাচনতে কংগ্ৰেছ দল বিধ্বস্ত হ'ব।' আজি সন্ধিয়া প্ৰায় ৬ বজাত ১ নং ভৱানীপুৰ-সৰুপেটা মিত্ৰজোঁটৰ অগপ দলৰ প্ৰাৰ্থী অৰবিন্দ বৰ্মনৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি কংগ্ৰেছ দলটো সম্পৰ্কত এইদৰে ভৱিষ্যদ্বাণী কৰে অগপ সভাপতি তথা ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই। কুমাৰ দীপক দাস, মনোজ শইকীয়া আৰু অগপ দলৰ যুৱ পৰিষদৰ সভাপতি জিতু বুঢ়াগোহাঁইৰ সৈতে সৰুপেটাৰ অগপ দলৰ কাৰ্যালয়ত উপস্থিত হৈ সাংবাদিকৰে মত-বিনিময় কালত মন্ত্ৰী বৰাই কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, বৰ্তমান দেশ আৰু ৰাজ্যত ডবল ইঞ্জিন চৰকাৰখনে ভালদৰেই কাম কৰিছে। দেশৰ দ্ৰুত উন্নয়ন হৈছে।পঞ্চায়তত আমি যদি মিত্ৰজোঁটেৰে চৰকাৰ কৰিব পাৰো তেতিয়া ত্ৰিপল ইঞ্জিন চৰকাৰৰ সহায়ত আমি অধিক উন্নয়ন ত্বৰান্বিত কৰিম। অগপ সভাপতিগৰাকীয়ে কংগ্ৰেছ সভাপতি ভূপেন বৰাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ অমান্তি হোৱাৰ কথা প্ৰকাশ কৰে। তেওঁৰ মন্তব্য-কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ উত্তৰ মই নিদিওঁ, তেওঁ আজি এটা, কালি এটা কথা কৈ থাকে। ৰাইজে কংগ্ৰেছ দলটোক মনৰ পৰা সম্পূৰ্ণৰূপে আঁতৰাই দিছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈ সন্দৰ্ভতো মন্তব্য কৰি তেওঁ কয়, ৰাইজৰ দল হ'ল কংগ্ৰেছৰ ঔৰসত জন্ম হোৱা এটা ৰাজনৈতিক দল। গতিকে তেওঁৰ বিষয়ে মন্তব্য দিয়াটো নিষ্প্ৰয়োজন। ৰাইজৰ দলক মই দল বুলিয়েই নাভাবোঁ।

# চকলাঘাটত প্ৰবীণ অভিনেতা, সমাজসেৱী ক্ষিতেশ্বৰ বৰাৰ ৭৬ সংখ্যক ওপজা দিন পালনঃ বিভিন্ন অনুষ্ঠানৰ উষ্ম সম্বৰ্ধনা

**ই-সংবাদ, বেৰেজীয়া, ৪ মে':** দীৰ্ঘ কাল ধৰি নগাঁও জিলাৰ চকলাঘাট অঞ্চলৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰে গুৰুদায়িত্ব বহন কৰি অহা সমাজহিতৈষী ব্যক্তি, প্ৰবীণ অভিনেতা তথা কৃষি বিভাগৰ অৱসৰী বিষয়া ক্ষিতেশ্বৰ বৰাৰ ৭৬ সংখ্যক ওপজা দিনটো দেওবাৰে ৰাজহুৱাভাৱে পালন কৰা হয়। এই উদ্দেশ্যে হাতীচোং সাহিত্য সভা সমাজ-সাংস্কৃতিক সমিতিৰ উদ্যোগত তথা চকলাঘাট শাখা সাহিত্য সভা, চকলাঘাট ৰাস মন্দিৰ আৰু জংগম সাংস্কৃতিক গোষ্ঠীৰ সহযোগত তেওঁৰ বাসভৱনৰ চোতালত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত চকলাঘাট আঞ্চলিক ক্ৰীড়া সন্থা, মেল'ডি নাট্য গোষ্ঠী, অঞ্চলৰ মহিলা সমাজকে ধৰি বহুকেইটা সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগতে ব্যক্তিবিশেষে উষ্ম সম্বৰ্ধনাৰে জন্মদিনৰ শুভেচ্ছা জনায়। এনেদৰে ৰাজহুৱা ওলগ গ্ৰহণ কৰি নষ্টালজিক হৈ আনন্দৰ অশ্ৰু নিগৰাই প্ৰবীণ সমাজসেৱী ক্ষিতেশ্বৰ বৰাই সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। হাতীচোং সাহিত্য সভা সমাজ-সাংস্কৃতিক সমিতিৰ সভাপতি দেৱ কুমাৰ বৰাই সঞ্চালনা কৰা আৰু সম্পাদক জ্যোতিপ্ৰসাদ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটো সাবলীলভাৱে আঁত ধৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কল্যাণ কুমাৰ বৰাই। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ গম্ভীৰ শইকীয়া, বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, সত্ৰাধিকাৰ লোকনাথ গোস্বামী, সমাজকৰ্মী প্ৰেমধৰ ভূঞা, চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি উৎপল হাজৰিকাকে ধৰি বহুকেইজন বক্তাই ক্ষিতেশ্বৰ বৰাই সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ আগবঢ়াই অহা অৱদানৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত সমাজকৰ্মী মহেশ্বৰ শইকীয়া, অতুল হাজৰিকা, ঘন শইকীয়া, অনন্ত শইকীয়া, অমি বৰা, পুণ্যপ্ৰভা বণিয়া, হাতীচোং মজলীয়া বালিকা বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী ৰুণু গায়ন বৰা, অসম সাহিত্য সভাৰ আজীৱন সভ্য নীল বণিয়া, শিল্পী পুতুল শইকীয়া, পৰেশ ভূঞা, সমাজকৰ্মী নেত্ৰ কমল শইকীয়া, অশ্বিনী বৰা, চকলাঘাট ৰাস মন্দিৰৰ সম্পাদক যজ্ঞেশ্বৰ বৰা, চকলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক মানস শইকীয়াকে ধৰি শতাধিক গুণমুগ্ধৰ লগতে ক্ষিতেশ্বৰ বৰাৰ সহধৰ্মিণী অকনি বৰা আৰু পৰিয়ালৰ লোকসকল উপস্থিত থাকে।

# পঞ্চায়ত নিৰ্বাচনত ভোটাৰ তালিকাত নাম নাই প্ৰাক্তন মন্ত্ৰী যতীন মালীৰ, জিলা আয়ুক্ত, পলাশবাৰী ৰাজহ চক্ৰত অভিযোগ

**ই-সংবাদ, মিৰ্জা, ৪ মে':** ৰাজ্যত সমাগত দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচন। ৰাজ্যৰ বিভিন্ন ঠাইত ইতিমধ্যেই গাঁও প্ৰধান, নিৰ্বাচনী বিষয়া আদিয়ে ভোটাৰৰ নথি পত্ৰ আদি পৰীক্ষা কৰাই নহয়, ঘৰে ঘৰে প্ৰেৰণ কৰিছে ভোটৰ তালিকা। এই তালিকাত ইতিমধ্যেই ঠায়ে ঠায়ে যথেষ্ট ভুল থকাৰ অভিযোগ উত্থাপন হৈছে। এই অভিযোগৰ মাজতে অসমৰ প্ৰাক্তন মন্ত্ৰী তথা পলাশবাৰী সমষ্টিৰ চাৰিবাৰৰ বিধায়ক যতীন মালীৰ ভোটাৰ তালিকাত নাম নথকা কাৰ্যত ক্ষোভ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়- তেওঁ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত সোণতলা লাটৰ বৰকুছিৰ এগৰাকী স্থায়ী বাসিন্দা। তেনেক্ষেত্ৰত অঞ্চলটোৰ গাঁও প্ৰধান অৱনী নাথে তেওঁৰ পৰিয়ালবৰ্গলৈ ভোটাৰ তালিকা প্ৰেৰণ কৰে। কিন্তু এই তালিকাত যতীন মালীৰ পত্নী, পুত্ৰ-কন্যাৰ নাম আছে যদিও যতীন মালীৰ নাম নাই। যোৱা বিধানসভাত তেওঁৰ নাম আছিল। কিন্তু আজি কিয় তেওঁৰ নামটো নাই বুলি নিৰ্বাচনী বিষয়ালৈ প্ৰশ্ন তোলে। এই সন্দৰ্ভত কালি জিলা আয়ুক্ত, পলাশবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়তো মালীয়ে অভিযোগ দাখিল কৰে। তেওঁ বিষয়াসকলক অহা ৭ মে'ৰ পঞ্চায়ত নিৰ্বাচনত ভোটদান কৰিব পৰাকৈ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। অন্যথা ভোটদানৰ পৰা বঞ্চিত হ'লে নিৰ্বাচন আয়োগত অভিযোগ দাখিল কৰিব বুলি উল্লেখ কৰে। প্ৰশ্ন হৈছে, চাৰিবাৰৰ বিধায়ক, দুবাৰৰ কেবিনেট মন্ত্ৰী যতীন মালীৰে যদি ভোটাৰ তালিকাত নাম নাথাকে সাধাৰণ মানুহৰ কেনে অৱস্থা হ'ব?

# ৰাইদঙীয়াত মন্ত্ৰী পীযুষ হাজৰিকাৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, বেবেজীয়া, ৪ মে':** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাটো বৰ্তমান নিৰ্বাচনী পৰিবেশ গৰম হৈ পৰিছে । শাসক আৰু বিৰোধী সকলো দলেই নিজ দলৰ প্ৰাৰ্থীৰ হৈ ব্যাপক নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। ইয়াৰ মাজতে আজি নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ কাছমাৰী জিলা পৰিষদৰ অন্তৰ্গত ৰাইদঙীয়াত ভাৰতীয় জনতা পাৰ্টীৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত কৰা হয়। সভাত উপস্থিত থাকি মন্ত্ৰী পীযুষ হাজৰিকাই বিৰোধী কংগ্ৰেছ দলক আক্ৰমণৰ লক্ষ্য কৰি লয়। মন্ত্ৰীগৰাকীয়ে কয় যে--গৌৰৱ গগৈয়ে ১৫ দিন পাকিস্তানত থাকি আহিছে। আমাৰ দৰে সাধাৰণ মানুহ পাকিস্তানত থাকিলে, মাৰিয়েই পেলাব। তেখেতৰ নিশ্চয়কৈ পাকিস্তানৰ লগত কিবা লিংক আছে। সাংসদ গৌৰৱ গগৈৰ পুত্ৰ বিদেশৰ নাগৰিক । সুদুৰ ইংলেণ্ডৰ নাগৰিক। আচলতে, গৌৰৱ গগৈ পাকিস্তান আৰু ইংলেণ্ডৰ চাপ'টাৰ। ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ হ'লে গৌৰৱ গগৈ ইংলেণ্ডলৈ পলাই যাব। ভাষণ প্ৰসংগত তেওঁ সাংসদ প্ৰদ্যুৎ বৰদলৈক আক্ৰমণ কৰি ৩০ লাখ টকা ঘোচ লৈ জিলা পৰিষদৰ টিকট বিক্ৰী কৰা বুলি মন্তব্য কৰে। লগতে কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই অহা বিধানসভা নিৰ্বাচনৰ পিছত চৰকাৰী বাহন চলাম বুলি যি মন্তব্য কৰিছিল সেই সন্দৰ্ভত মন্ত্ৰী পীযুষ হাজৰিকাই কটাক্ষ কৰি কয় যে--ভুপেন বৰা ড্ৰাইভাৰ নেকি ? তেওঁ যে গাড়ী চলাব বুলি কৈছে, তেওঁ ইমান তললৈ নামিব নালাগে। সভাত কাছমাৰী জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থী প্ৰাঞ্জল দাসৰ লগতে আঞ্চলিক পঞ্চায়তৰ সদস্যা স্মৃতা বৰা, ৰাণা বৰা, দীপাঞ্জলী কোঁৱৰ, পূৰবী মহন্ত বৰা, জ্যোতি প্ৰসাদ দাসৰ হৈ প্ৰচাৰ চলাই মন্ত্ৰীগৰাকীয়ে অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত সুস্থ পঞ্চায়ত আৰু গঞ্জা ৰাইজৰ উন্নয়নৰ স্বাৰ্থত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটাধিকাৰ সাৰ্বস্ত কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায় । উক্ত সভাতে আইভেটি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি নৱ কুমাৰ বৰা, দলংঘাট ব্লক যুৱ কংগ্ৰেছৰ উপ-সভাপতি ধ্ৰুৱজ্যোতি বৰা, আইভেটি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী জ্যোতি বৰা, শিৱ প্ৰসাদ কলিতাকে ধৰি প্ৰায় তিনিকুৰি কংগ্ৰেছ দলৰ নেতা-কৰ্মীয়ে আনুষ্ঠানিকভাৱে বিজেপিত যোগদানৰ কৰে। স্থানীয় বিধায়ক ৰূপক শৰ্মা আৰু অগপৰ নগাঁও জিলাৰ সভাপতি মণি মাধৱ মহন্তয়ো ভাষণ প্ৰদান কৰা সভাখনত বটদ্ৰৱা মণ্ডল বিজেপিৰ সভাপতি ৰাজেশ কোঁৱৰ, নগাঁও জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি ৰঞ্জিত বৰদলৈকে ধৰি বহুকেইজন বিষয়ববীয়াৰ লগতে পাঁচ সহস্ৰাধিক লোক উপস্থিত থাকে।

# ঝাৰোবড়ীত আঞ্চলিক সদস্য পদৰ নিৰ্দলীয় প্ৰাৰ্থী ধনঞ্জয় দাসৰ বিশাল বাইক ৰেলী

**ই-সংবাদ, মিৰ্জা ৪ মে':** পলাশবাৰী সমষ্টিৰ ৫ নং ছয়ানী-ৰাণী আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ৫২ নং বাঢ়ন্তী মণিয়েৰী পাৰাকুছি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য (কাউন্সিলাৰ)পদৰ ৰাইজৰ মনোনীত নিৰ্দলীয় প্ৰাৰ্থী ধনঞ্জয় দাস(ধন)ৰ সমৰ্থনত আজি অঞ্চলটোত এটি বিশাল বাইক ৰেলী উলিওৱা হয়। এই ৰেলীটো মুকলি কৰে প্ৰাক্তন অধ্যাপক,সৰববৰহী বিশিষ্ট ব্যক্তি পাৰাকুছি নিবাসী মাধৱ দাসে। তেওঁ ধনঞ্জয় দাসক জয়ী হোৱাৰ আশীৰ্বাদ জনায়। এই উপলক্ষে লেখক উমানন্দ শালৈয়ে আঁত ধৰা এই বাইক ৰেলী মুকলিত প্ৰাক্তন পঞ্চায়ত সভাপতি, ঝাৰোবড়ীৰ সৰবৰহী ব্যক্তি বিপুল কুমাৰ চৌধুৰী,বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী হীৰেন শালৈ,মহেন্দ্ৰ শালৈ, ঝাৰোবড়ী আঞ্চলিক হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক কামিনী কান্ত দাসৰ লগতে অঞ্চলটোৰ বিভিন্ন দল সংগঠন,ক্লাৱৰ লোক,ব্যৱসায়ী, মহিলা আই-মাতৃয়ে অংশগ্ৰহণ কৰি ভাষণ দি ধনঞ্জয় দাসৰ বিজয়ৰ বাবে আশীৰ্বাদ দিয়ে। ধনঞ্জয় দাসৰ এই ৰেলীটো ঝাৰোবড়ীৰ পৰা আৰম্ভ হৈ পাৰাকুছি, ৰঙামাটি, হকৰাপাৰা, মাগুৰপাৰা, খটিয়ামাৰী, ধৰমপুৰ, বালিয়াঝাৰ হৈ পুনৰ ঝাৰোবড়ীত উপস্থিত হয়। ৰাইজে ধনঞ্জয় দাসক দমকলৰ ছবিত ভোট দি জয়যুক্ত কৰক,ধনঞ্জয় দাস জিন্দাবাদ আদি ধ্বনি দিয়ে। ধনঞ্জয়ৰ দাস ঝাৰোবড়ীৰ সামাজিক কাম, দল-সংগঠনত লাগি থকা এজন সৰবৰহী,স্থায়ী প্ৰাৰ্থী বুলি তেওঁলোকে উল্লেখ কৰে। প্ৰাৰ্থী ধনঞ্জয় দাসেও অঞ্চলটোৰ ৰাইজ,দল সংগঠনৰ সমৰ্থনত এই যুঁজত অৱতীৰ্ণ হোৱা বুলি কয়। সেইবাবে তেওঁ ৰাইজলৈ সন্মান আৰু কৃতজ্ঞতা জনায়। ঝাৰোবড়ী অঞ্চলটোৰ ক্লাৱ,ব্যৱসায়ী,লেখক,মহিলা গোট আদিয়ে সমৰ্থন দি আহিছে বুলি তেওঁ উল্লেখ কৰে। লেখক উমানন্দ শালৈয়ে কয়-আমি প্ৰলোভনৰ ৰাজনীতিত ভোল নাযাও। এইবাৰ প্ৰাৰ্থী চাইহে আমি ভোটদান কৰিম। বিধায়ক হেমাংগ ঠাকুৰীয়াইঁতৰ চলাহী কথাত আমি চলা মানুহ নহয়।তেওঁলোকে আমাক ৰাইজক বহু ঠগিলে। আনকি ধনঞ্জয়ৰ দাসৰ জনসমৰ্থন দেখি জনপ্ৰতিনিধিকে ধৰি একাংশ পাবত গজা নেতাই আমাৰ মানুহক ইতিমধ্যে ভয় ভাবুকি দিয়াৰ কথাও উল্লেখ কৰে উমানন্দ শালৈয়ে। যি দলেই নহওক কিয়, সদায় ভয় ভাবুকিৰে ৰাইজৰ মাজত আস্থা আৰু বিশ্বাস জন্মাব নোৱাৰি বুলি তেওঁ উল্লেখ কৰে। ধনঞ্জয়ৰ জয় মানেই ঝাৰোবড়ী অঞ্চলটোৰ মানুহৰ দাম আৰু দমকে প্ৰকত হ'ব বুলি উল্লেখ কৰে সচেতন লোকে। ধনঞ্জয় দাসৰ ভাল আচৰণ আৰু মতাদৰ্শকাৰণৰ বাবে তেওঁক পূৰ্ণ সমৰ্থন আৰু সঁহাৰি দি অহা বহু বিজেপিৰ নেতা-কৰ্মীয়ে দলীয় স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আজি অলপ দূৰত অৱস্থান কৰা দেখা যায়। এক প্ৰকাৰ শাসকৰ ধনবল,কূট কৌশল প্ৰয়োগ কৰিলেও ইতিমধ্যেই পলাশবাৰীত ঠায়ে ঠায়ে একাংশ বিজেপি নেতা কৰ্মী,বিধায়ক হেমাংগ ঠাকুৰীয়া,জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামী,হিমাংশু শেখৰ বৈশ্যই পৃথকে নিজৰ সমৰ্থনত প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ অভিযোগ উত্থাপন হৈছে। যাক লৈ ঠায়ে ঠায়ে নিশাৰ ভাগত অপ্ৰীতিকৰ ঘটনাও সংঘটিত হোৱাৰ অভিযোগ আহিছে।

# গণেশৰ ধামত নিৰ্বাচনী সভাত অশোক সিংহল

**ই-সংবাদ, গোলকগঞ্জ, ৪ মে':** ধুবুৰী জিলাৰ গোলকগঞ্জ সমজিলাৰ ৰায়ডাক জিলা পৰিষদ এলেকাৰ গণেশৰ ধামত আজি বিয়লি অগপ-বিজেপি মিত্ৰ দলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে স্বাস্থ্য আৰু জলসিঞ্চন মন্ত্ৰী অশোক সিংহল। সিংহল নিজৰ ভাষণত কয় যে জোনাইৰ পৰা গোলকগঞ্জ লৈকে বিজেপিৰ নিৰ্বাচনী ধুমুহা বৈছে। য'ত ভবা নাই তাতো বিজেপি জিকি আছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত কংগ্ৰেছৰ কোনো ফলাফল নাই। মাজে মাজে দুই-এখন জিকিলে জিকিব পাৰে নহ'লে নাই। তেওঁ কয় বিজেপিৰ মূলমন্ত্ৰ সবকা সাথ সবকা বিকাশ। হিন্দু-মুছলমান ভেদ ভাব নাই। অগপ বিজেপিৰ প্ৰাৰ্থীক ভোটদান কৰি বিজেপিৰ উন্নয়নত চামিল হোৱাৰ বাবেই তেওঁ সংখ্যালঘু ৰাইজক আহ্বান জনাই। মুখ্যমন্ত্ৰীয়ে দুই মেত ঘোষণা কৰাৰ দৰে একেদৰে কয় যে বিজেপিৰ প্ৰাৰ্থীক জিকালে তিনিশ টকা কম মূল্যত গেছ ছিলিণ্ডাৰ পাব, ৰেচনকাৰ্ড দেখুৱাই পাচ লাখ টকা লৈকে বিনামূলীয়া চিকিৎসা, ৰেচনকাৰ্ডত চাউলৰ লগতে চেনী ডালি নিমখ আদি কম মূল্যত পোৱাৰ ঘোষণা কৰে। সভাত প্ৰাক্তন বিধায়ক তথা অসম প্ৰদেশ বিজেপিৰ অবিচি মৰ্চাৰ সভাপতি অশ্বিনী ৰায় সৰকাৰ, ধুবুৰী পৌৰসভাৰ পৌৰপতি দেৱময় সান্যাল, জিলা সভাপতি ৰঞ্জিত কুমাৰ ৰায় , প্ৰাক্তন জিলা সভাপতি দীপক সাহা ৰায়ডাক জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী সহিদুৰ ৰহমানকে ধৰি বহু গণ্য মান্য ব্যক্তি সভাত উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিন্দু ধৰ্মৰ পৰা বহিষ্কাৰ ৰাহুলক

কংগ্ৰেছ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক। জ্যোতিৰ্মঠ শংকৰাচাৰ্য স্বামী অবিমুক্তেশ্বৰানন্দ সৰস্বতীয়ে ৰাহুল গান্ধীক হিন্দু ধৰ্মৰ পৰা বহিষ্কাৰৰ কথা ঘোষণা কৰে। শংকৰাচাৰ্যই কয় যে আজিৰে পৰা ৰাহুল গান্ধীক আৰু হিন্দু বুলি গণ্য কৰা নহ'ব। ৰাহুলে হিন্দু ধৰ্মৰ বিৰুদ্ধে কাম কৰি আছে আৰু সেইবাবেই তেওঁক বহিষ্কাৰ কৰা হৈছে বুলি মন্তব্য কৰে অবিমুক্তেশ্বৰানন্দ সৰস্বতীয়ে। উল্লেখ্য যে, ৰাহুল গান্ধীক লৈ এই বিতৰ্কৰ সূচনা হৈছিল প্ৰায় তিনিমাহ পূৰ্বে। সংসদত মনুস্মৃতি সন্দৰ্ভত ৰাহুল গান্ধীয়ে মন্তব্য কৰে কৈছিল, "এই গ্ৰন্থখনে ধৰ্ষণকাৰীক সুৰক্ষা প্ৰদান কৰে। ইয়াৰ পৰাই বিজেপিৰ মতাদৰ্শৰ জন্ম হয়।" লগতে তেওঁ কৈছিল যে এই গ্ৰন্থখনত নাৰীৰ শিক্ষা বা স্বাধীনতাৰ অধিকাৰ থাকিব নালাগে বুলি কোৱা হৈছে। ৰাহুলৰ এই মন্তব্যই সমগ্ৰ দেশতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। হিন্দু সমাজৰ এটা শ্ৰেণীয়ে ইয়াক ধৰ্মীয় আৱেগক অপমান বুলি অভিহিত কৰে। একে সময়তে হৰিদ্বাৰৰ মহাকুম্ভ মেলাত ধৰ্ম সংঘৰ অধ্যক্ষ স্বামী অবিমুক্তেশ্বৰানন্দই তীব্ৰ সুৰত ৰাহুল গান্ধীক সমালোচনা কৰে। তেওঁ কয়, "ৰাহুলৰ এই বক্তব্যই হিন্দুসকলৰ আৱেগক আঘাত কৰিছে। আমি মনুস্মৃতিক পবিত্ৰ গ্ৰন্থ বুলি গণ্য কৰোঁ। গতিকে এমাহৰ ভিতৰত যদি তেওঁ ক্ষমা নোখোজে বা এনে মন্তব্যৰ কাৰণ বুজাই নিদিয়ে তেন্তে তেওঁক হিন্দু ধৰ্মৰ পৰা বহিষ্কাৰ কৰা হ'ব।" ইয়াৰ পিছত ধৰ্ম সংসদে ৰাহুলক ক্ষমা খুজিবলৈ আহ্বান জনাই এখন পত্ৰ প্ৰেৰণ কৰে। কিন্তু তাৰ পিছতো ৰাহুল গান্ধীয়ে কোনো প্ৰতিক্ৰিয়া ব্যক্ত নকৰাত তেওঁক এতিয়া বহিষ্কাৰৰ ঘোষণা কৰা হৈছে। শনিবাৰে নিশা শংকৰাচাৰ্যই এই ঘোষণা কৰে। তেওঁ কয়, "ৰাহুল গান্ধী হিন্দু নহয়, গতিকে তেওঁক হিন্দু বুলি গণ্য কৰা উচিত নহয়। হিন্দু পুৰোহিত আৰু পণ্ডিতসকলে তেওঁলোকৰ কোনো পূজাত অংশগ্ৰহণ কৰিব নালাগে। তেওঁক মন্দিৰত প্ৰৱেশ নিষিদ্ধ কৰিব লাগে আৰু লগতে হিন্দু সম্পৰ্কীয় সকলো কামৰ পৰাও বঞ্চিত হ'ব লাগে।" শংকৰাচাৰ্যই লগতে কয় যে ৰাহুল গান্ধীয়ে তেওঁৰ বক্তব্যৰ বাবে ক্ষমা বিচৰা নাছিল, কোনো ব্যাখ্যাও দিয়া নাছিল। সেয়ে তেওঁক হিন্দু ধৰ্মৰ পৰা বহিষ্কাৰ কৰা হৈছে। তেওঁৰ যুক্তি হ'ল প্ৰতিটো ধৰ্ম আৰু আইনৰ ব্যৱস্থা আছে য'ত অপৰাধীক বহিষ্কাৰ কৰিব পাৰি। সেই ভিত্তিতে ধৰ্ম সংসদে ৰাহুলৰ বিৰুদ্ধে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ঘোষণাক লৈ ৰাজনৈতিক মহলত এতিয়া সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। অৱশ্যে কংগ্ৰেছে এই সন্দৰ্ভত এতিয়াও কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই। কিন্তু আগন্তুক সময়ত কেইবাখনো ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনত শংকৰাচাৰ্যৰ এই সিদ্ধান্তই ৰাজনৈতিক প্ৰভাৱ পেলাব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰিছে বিভিন্নজনে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰডুমচাত যুৱকক বৰ্বৰ অত্যাচাৰ

আৰক্ষী বিষয়া ভাস্কৰ কলিতা। আৰক্ষী বিষয়াগৰাকীক হত্যা কৰি তেওঁৰ এ কে-৪৭ টো কাঢ়ি লৈ গৈছিল আলফা স্বাধীনৰ সদস্যই। যি সময়ত আজিৰ দিনটোতেই বৰডুমচা থানাৰ এগৰাকী সৎ আৰু সাহসী আৰক্ষী বিষয়াই নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠনৰে যুঁজ দি প্ৰাণ আহুতি দিছিল, সেই একেটা দিনতেই নিজৰ কলংকিত কাণ্ডৰে ৰাইজৰ ক্ষোভৰ সন্মুখীন হ'ল খোদ বৰডুমচা আৰক্ষী। শ্বহীদ সাহসী আৰক্ষী বিষয়া ভাস্কৰ কলিতাই প্ৰাণ আহুতি দিয়াৰ দিনটোতেই ৰাইজৰ ক্ষোভ, ঘৃণা আৰু প্ৰতিবাদৰ সন্মুখীন হ'ল বৰডুমচা আৰক্ষী। বৰডুমচা আৰক্ষী থানাৰ অন্তৰ্গত ১ নং মহং গাঁৱৰ যুৱক সঞ্জীৱ মৰাণক থানালৈ মাটি আনি অমানৱীয় অত্যাচাৰ চলোৱাৰ লগতে গাত ভোট-জলকীয়া সানি ভয়ানক কাণ্ড সংঘটিত কৰা বৰডুমচা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিশ্বজিৎ চহৰীয়াক অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিত সিঙৰ নিৰ্দেশ অনুসৰি হেড কোৱাৰ্টাৰ ক্লজ কৰাৰ উপৰি আন দুই আৰক্ষী বিষয়া ক্ৰমে এছ আই ৰাজীৱ ডেকা আৰু জয়ন্ত কলিতাক নিলম্বন কৰাৰ লগতে হেড কোৱাৰ্টাৰলৈ তলব কৰা হৈছে। আনহাতে ৪৮ ঘণ্টাৰ ভিতৰত ঘটনাৰ তদন্ত কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে। সামান্য কথাৰ বাবেই যুৱকজনক প্ৰহাৰ কৰি ভোট-জলকীয়া সানি দিয়ে বৰডুমচা থানাৰ আৰক্ষী বিষয়াই। অভিযোগ অনুসৰি, এছ আই জয়ন্ত কলিতা আৰু ৰাজীৱ ডেকা নামৰ বৰডুমচা আৰক্ষী থানাৰ দুই বিষয়াই শনিবাৰে যুৱকজনক থানালৈ মাটি আনি গুৰুলাগুৰুলকৈ প্ৰহাৰ কৰাৰ লগতে যুৱকজনৰ গাত ভোট-জলকীয়া সানি দিয়ে। নিৰীহৰ ওপৰত আৰক্ষীৰ এনে দাদাগিৰিয়ে পুনৰ অসম আৰক্ষীৰ নাক কাটিলে তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তবৰ্তী বৰডুমচা আৰক্ষী থানাৰ এই তিনি আৰক্ষী বিষয়াই। যি সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনবৰতে আৰক্ষীক ৰাইজৰ প্ৰতি নৰম হ'বলৈ পৰামৰ্শ দি আহিছে, সেই সময়তে একাংশ খাকী পোছাক পিন্ধা অসম আৰক্ষীৰ বিষয়া আৰু লোকে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক অকণো কেৰেপ নকৰা বুলিব পাৰি। যুৱকজনক নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ লগতে শৰীৰৰ বিভিন্ন অংশত ভোট-জলকীয়া সানি শাৰীৰিকভাৱে অত্যাচাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। ২ মে'ৰ দিনা অনুষ্ঠিত হৈ যোৱা পঞ্চায়ত নিৰ্বাচনৰ ভোট গ্ৰহণৰ দিনাই ১ নং মহং গাঁওস্থিত জিৎ বড়া মধ্য ইংৰাজী বিদ্যালয়লৈ ভোটদান কৰিবলৈ যাওঁতে স্থানীয় বৰডুমচা আৰক্ষীৰ সৈতে যুৱকজনে সামান্য কথাতে তৰ্কাতৰ্কিত লিপ্ত হৈছিল। যাৰ ফলত শনিবাৰে আৰক্ষীয়ে যুৱকজনক থানালৈ মাটি আনি এনেদৰে পাশৱিক অত্যাচাৰ চলায়। আৰক্ষীৰ এনে পৈশাচিক বৰ্বৰতাৰ বিৰুদ্ধে আজি স্থানীয় দল-সংগঠন আৰু কেইবা শতাধিক ৰাইজে বৰডুমচা আৰক্ষী থানা ঘেৰাও কৰি আৰক্ষী বিষয়া কেইজনৰ শাস্তিৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদৰ পিছতে ঊৰ্ধ্বতন আৰক্ষী বিষয়াই আৰক্ষী বিষয়া কেইজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হয়। ঘটনাক লৈ সঞ্চালকপ্ৰধান হৰমিত সিঙে নিৰ্দেশনা জাৰি কৰিছে। বৰডুমচা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ লগতে দুই সহঃ আৰক্ষী বিষয়া আৰু ২ আৰক্ষী কমাণ্ডো বিশালজ্যোতি বাসুদেৱ বড়ো আৰু ভাইটি দাসক নিলম্বন কৰা হৈছে। লগতে তিনিচুকীয়াৰ আৰক্ষী অধীক্ষকক ৪৮ ঘণ্টাৰ ভিতৰত ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে।

# বৰপেটাৰোডত একেনিশাই তিনিটা পৰিয়ালত চুৰি

**ই-সংবাদ, বৰপেটাৰোড, ৪ মে':** বৰপেটাৰোডত সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। বৰপেটাৰোডত একেদিনাই চাৰিটাকৈ হোৱা চুৰি কাণ্ডই ৰাইজক আতংকিত কৰি তুলিছে। একেনিশাই তিনিটা পৰিয়ালত চুৰিৰ ঘটনা সংঘটিত হোৱাৰ লগতে পুৱাই ঘৰৰ সন্মুখৰ পৰাই দুৰ্বৃত্তই কাঢ়ি নিলে মহিলাৰ ডিঙিৰ চেইন। বৰপেটাৰোড চহৰৰ মাজমজিয়াৰ ৮ নম্বৰ ৱাৰ্ডৰ মিলন নগৰৰ গৌতম চৌধুৰী, চন্দন নাথ, অৰূপ দাসৰ ঘৰত নিশা হয় চুৰি কাণ্ড। আনহাতে আজি পুৱা একেটা ৱাৰ্ডতে ঘৰৰ সন্মুখৰ পৰাই বাইকেৰে অহা দুই যুৱকে মহিলাৰ ডিঙিৰ সোণৰ চেইন কাঢ়ি নিয়ে দুৰ্বৃত্তই। বাতৰি অনুসৰি পুৱা গেটৰ তলা খুলিবলৈ যোৱা ডাঃ অঞ্জন চৌধুৰীৰ মাতৃৰ ডিঙিৰ পৰা মটৰ চাইকেলত অহা দুই দুৰ্বৃত্তই কাঢ়ি নিয়ে সোণৰ চেইন। আনহাতে নিশা গৌতম চৌধুৰীৰ ঘৰত হয় চুৰি কাণ্ড। নিশা গৃহস্থক অজ্ঞান কৰি লুটি নিয়ে প্ৰায় ৫০ হাজাৰ টকাসহ কেইবাতোলা সোণৰ অলংকাৰ। ইপিনে মিলন নগৰৰ চন্দন নাথ আৰু অৰূপ দাসৰ ঘৰতো চুৰি কাণ্ড সংঘটিত হয় যদিও চোৰে বিশেষ সামগ্ৰী লুট কৰিবলৈ সক্ষম নহ'ল। গৌতম চৌধুৰীৰ ঘৰৰ তিনিটাকৈ গডৰেজৰ তলা ভাঙি চোৰে লুটি নিয়ে ধন-সোণ। দুদিন পূৰ্বেও শিমলাগুৰিত সংঘটিত হৈছিল এক ডকাইতিৰ ঘটনা। বৰপেটাৰোডৰ ভিন্ন প্ৰান্তত চুৰি, ডকাইতি, পথচাৰীৰ পৰা সোণৰ গহনা কাঢ়ি নিয়া আদি ঘটনা ব্যাপক হাৰত বৃদ্ধি পোৱা বুলি স্থানীয় ৰাইজে জনায়। বৰপেটাৰোড চহৰত প্ৰতিদিনে বৃদ্ধি পোৱা অপৰাধজনিত ঘটনাক লৈ আতংকিত হৈ পৰিছে বৰপেটাৰোড চহৰবাসী। ইতিমধ্যে বৰপেটাৰোড আৰক্ষী উপস্থিত হৈ সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

# ৬টা বলত ছয়টা ৬ আইপিএলত নজিৰ গঢ়িলে অসমৰ ৰিয়ানে

**কলকাতা, ৪ মে':** ইডেন গাৰ্ডেনত ৰিয়ান পৰাগৰ বেটিং বিক্ৰমে সৃষ্টি কৰিলে ক্ৰিকেটৰ প্ৰলয়। ৰাজস্থান ৰয়েলছৰ অধিনায়ক অসম সন্তান ৰিয়ানে ৪৫টা বলত ৯৫ ৰানৰ বিধ্বংসী ইনিংছ খেলি আই পি এলৰ ইতিহাসত এক নতুন নজিৰ সৃষ্টি কৰে। ৭৫ ৰানত ৫ উইকেট হেৰুৱাই একপ্ৰকাৰ বিপৰ্যস্ত হৈ পৰা ৰাজস্থান ৰয়েলছক অকলেই যুদ্ধক্ষেত্ৰত জয়ৰ দিশে লৈ গৈ আজি ইডেন গাৰ্ডেনৰ 'ট্ৰেজিক হিৰো'ৰ ভূমিকাত অৱতীৰ্ণ হ'ল ৰিয়ান পৰাগ। অৱশ্যে শেষ মুহূৰ্তত এই শ্বাসৰুদ্ধকৰ খেলখনত কলকাতাৰ হাতত মাত্ৰ ১ ৰানত পৰাস্ত হয় ৰাজস্থান। কিন্তু দলৰ এই পৰাজয়ৰ পিছতো আজি ক্ৰিকেটানুৰাগীৰ চৰ্চাৰ বিষয় হৈ পৰিছে ৰিয়ান পৰাগৰ সেই দৰ্শনীয় প্ৰদৰ্শন। আজি ইডেনত ৰিয়ানে নিজৰ বেটেৰে এক অভূতপূৰ্ব অভিলেখৰ সাক্ষী হ'ল। আইপি লৰ ইতিহাসত একেৰাহে ৬টা ছিক্স কোবোৱা প্ৰথমজন বেটছমেন হিচাপে পৰিগণিত হয় ৰিয়ান। ম'ইন আলীৰ চতুৰ্থ অভাৰত ৰিয়ানে ৫টা বলত ৫টা ছয় মাৰে, য'ত ম'য়েনে ৩২ ৰান দিয়ে। পৰৱৰ্তী অভাৰত বৰুণ চক্ৰৱৰ্তীৰ পৰা হেটমায়াৰে ৰান লোৱাৰ পিছত দ্বিতীয় বলত আৰু এটা ছয় মাৰি একেৰাহে ছটা বলত ছয়টা ছয়ৰ অভিলেখ গঢ়ে ৰিয়ান পৰাগে। লক্ষণীয় যে, ইয়াৰ পূৰ্বে কোনো বেটাৰে আইপিএলত একেৰাহে ছয়টা বলট ছয়টা ছয় মাৰিবলৈ সক্ষম হোৱা নাছিল। ২০২৩ চনত কেকেআৰৰ ৰিংকু সিঙে গুজৰাট টাইটানছৰ যশ দয়ালক ৫টা বলত ৫টা ছয় মাৰিছিল যদিও আজি ৰিয়ানে সেই অভিলেখ অতিক্ৰম কৰে। খেলখনত পৰাজিত হোৱাৰ পিছত অৱশ্যে ৰিয়ানে অকপটে স্বীকাৰ কৰে যে, "মই মেচখন শেষ কৰিব লাগিছিল। অনাহক এটা শ্বট মাৰি মই ভুল কৰিলোঁ।"



আইপিএল ২০২৫: পঞ্জাবৰ বিৰুদ্ধে উইকেট দখলৰ পিছত ছিগনেছাৰ চেলিব্ৰেচন দিগৱেশৰ




আইপিএল ২০২৫: ৰিয়ানৰ দুৰ্দান্ত প্ৰদৰ্শন, কলকাতাৰ বিৰুদ্ধে ৯৫ ৰানৰ দৰ্শনীয় ইংনিছ ৰাজস্থানৰ অধিনায়কৰ

## পেহেলগাম আক্ৰমণৰ ক্ৰিকেট প্ৰভাৱ, প্ৰাক্তন ক্ৰিকেটাৰৰ দাবী

# পৰৱৰ্তী এছিয়া কাপৰ পৰা বাহিৰ হ'ব পাৰে পাকিস্তান ক্ৰিকেট দল

**নতুন দিল্লী, ৪ মে':** যোৱা ২২ এপ্ৰিলত পেহেলগামত সংঘটিত ভয়ানক সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে ভাৰত আৰু পাকিস্তানৰ মাজৰ ক্ৰিকেট সম্পৰ্কতো সৃষ্টি হৈছে উত্তেজনা। ভাৰতৰ প্ৰাক্তন অধিনায়ক সুনীল গাভাস্কাৰে এই ঘটনাৰ পিছতে পাকিস্তানৰ সৈতে ক্ৰিকেটৰ সকলো সম্পৰ্ক কৰ্তন কৰাৰ তীব্ৰ পোষকতা কৰিছে। তেওঁ স্পষ্টকৈ উল্লেখ কৰিছে যে পাকিস্তানে পৰৱৰ্তী এছিয়া কাপত অংশগ্ৰহণৰ কোনো সম্ভাৱনা দেখা নাই। এক সাক্ষাৎকাৰত গাভাস্কৰে কয়, "বিচিচিআইয়ে সদায় ভাৰত চৰকাৰৰ নিৰ্দেশনা মানি চলে। এছিয়া কাপৰ ক্ষেত্ৰতো যেন ইয়াৰ ব্যতিক্ৰম নহয়। এইবাৰ ভাৰত আৰু শ্ৰীলংকাই যৌথভাৱে এছিয়া কাপৰ আয়োজন কৰিছে। যদি পৰিস্থিতি একেই থাকে, তেন্তে আমি এই প্ৰতিযোগিতাত পাকিস্তানক দেখা নাপাম।" তেওঁ লগতে কয় যে এই সিদ্ধান্ত ভাৰত চৰকাৰৰ স্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব, আৰু বৰ্তমানৰ উত্তেজনাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানৰ অংশগ্ৰহণ কাৰ্যতঃ অসম্ভৱ। আনকি এছিয়ান ক্ৰিকেট কাউন্সিল (এচিচি) ভংগ কৰাৰ সম্ভাৱনাও উত্থাপন কৰে গাভাস্কাৰে। ইয়াৰ পিছত কি হ'ব সেয়া নিশ্চিত নহয় বুলিও তেওঁ কয়। "কিন্তু এচিচি ভংগ হ'ব পাৰে। তিনি-চাৰিখন দেশৰ সৰু প্ৰতিযোগিতা হ'ব পাৰে, য'ত হংকং বা সংযুক্ত আৰব আমিৰশ্বাহীক আমন্ত্ৰণ জনোৱা হ'ব পাৰে। অহা কেইমাহমানৰ পৰিস্থিতি এই সিদ্ধান্তৰ মূল চাবিকাঠি। যদি দুখন দেশৰ মাজত বিবাদ হয়, তেন্তে একেলগে খেলাটো অতি কঠিন।" - গাভাস্কাৰে কয়। তেওঁ আৰু কয়, "ভাৰত এচিচিৰ পৰা ওলাই আহিব পাৰে। তেনে ক্ষেত্ৰত ভাৰতে বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তানৰ দৰে দেশৰ সৈতে পৃথক প্ৰতিযোগিতা আয়োজন কৰিব পাৰে। যিহেতু এইবাৰৰ এছিয়া কাপ ভাৰতে আয়োজন কৰিছে, গতিকে ভাৰতে আয়োজন কৰিব।" ইফালে পেহেলগাম আক্ৰমণৰ পিছত ভাৰত-পাকিস্তান ক্ৰিকেট সন্দৰ্ভত অধিক জটিলতাৰ সৃষ্টি হৈছে। বিচিচিআইৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই ২৪ এপ্ৰিলত স্পষ্ট কৰি দিছিল যে ভৱিষ্যতে পাকিস্তানৰ সৈতে কোনো দ্বিপাক্ষিক ধাৰাবাহিক খেলাৰ কোনো সম্ভাৱনা নাই। এক্স প্লেটফৰ্মত কেইবাটাও পোষ্টত ভাৰতীয় অনুৰাগীয়ে এই সিদ্ধান্তৰ প্ৰশংসা কৰি পাকিস্তানক সম্পূৰ্ণ বৰ্জনৰ দাবী জনাইছে।

# দুধনৈত পথ দুৰ্ঘটনা, বাইকৰ খুন্দাত গুৰুতৰভাৱে আহত দুই যুৱক

**ই-সংবাদ, ধুপধৰা, ৪ মে':** গোৱালপাৰা জিলাৰ দুধনৈ আৰক্ষী থানাৰ অন্তৰ্গত খাৰাত ৪৬ নং ৰাজ্যিক ঘাইপথত নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয় । এখন বাইকৰ খুন্দাত এজন পথচাৰী যুৱক আহত হোৱাৰ উপৰি বাইক আৰোহী এজন যুৱকো আহত হয়। জানিব পৰা মতে মাটিয়া দিশৰ পৰা দুজন যুৱকে বাইকেৰে দুধনৈলৈ ৰাংজালী বৈশাগু উৎসৱ চাবলৈ আহি থকা অৱস্থাত দুধনৈ জাতীয় বিদ্যালয়ৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই এজন পথচাৰীক খুন্দিয়ায়। বাইকৰ খুন্দাত পথচাৰীজন গুৰুতৰভাৱে আহত হয় আৰু বাইক আৰোহী আন এজন যুৱকো সামান্য পৰিমাণে আহত হয়। দুধনৈ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আহত ব্যক্তি দুজনক দুধনৈ এফ আৰ ইউত ভৰ্তি কৰে। আৰক্ষী সূত্ৰে জানিব পৰা মতে গুৰুতৰভাৱে আহত পথচাৰীজনৰ এতিয়ালৈ কোনো পৰিচয় ওলোৱা নাই। গুৰুতৰভাৱে আহত পথচাৰী যুৱকজনৰ লগতে বাইক আৰোহী আন এজন যুৱকক চিকিৎসকৰ পৰামৰ্শমতে উন্নত চিকিৎসাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰা হয়।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বো-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি